**অসম ভাষা সুৰক্ষা সমিতি গঠন**
ই-সংবাদ, ২৬ অক্টোবৰঃ আইৰ মুখৰ ভাষাটোক চিৰযুগমীয়া কৰিবলৈ একাংশ বিশিষ্ট ২ পৃষ্ঠাত চাওক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, OCTOBER 27, 2024 ■ দেওবাৰ, ১০ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৩ Guwahati, Assam ।। মূল্যঃ এটকা

## বিদ্যুৎ বিভাগৰ প্ৰাক-দীপাৱলীৰ বিৰুদ্ধে গৰ্জন কেএমএছএছৰ

**ই-সংবাদ, ২৬ অক্টোবৰঃ** গুৱাহাটীৰ বিজুলী ভৱনত প্ৰাক-দীপাৱলী উদযাপনৰ পৰিকল্পনা কৰিছে অসম ৰাজ্যিক বিদ্যুৎ বিভাগে। ৰাজ্যখনত স্মাৰ্ট মিটাৰ আৰু বৰ্ধিত বিদ্যুতৰ বিলক লৈ ৰাইজে উৰাদিহ নোপোৱা হোৱাৰ সময়তে অসম ৰাজ্যিক বিদ্যুৎ বিভাগে প্ৰাক-দীপাৱলী উদযাপন কৰি শেষাংশ ২ পৃষ্ঠাত

### পলাতক তাহিৰৰ বাসগৃহত অভিযান

## অ'এনজিচিৰ ব্যৰ্থ অপহৰণ কাণ্ডৰ নিতৌ ন ন মোৰ পোহৰলৈ



তাহিৰুল ওৰফে তাহিৰ

**ই-সংবাদ, শিৱসাগৰ, ২৬ অক্টোবৰঃ** অ'এনজিচি অসম সম্পদ নাজিৰাৰ অন্তৰ্গত বকতা নেমুগুৰিৰ এটা তৈল খাদৰ পৰা পাঁচ গৰাকীকৈ অনা-অসমীয়া বিষয়াক আলফা স্বাধীনৰ সহযোগত ৰচনা কৰা অপহৰণৰ পৰিকল্পিত ষড়যন্ত্ৰৰ মাষ্টাৰ মাইণ্ড তথা পলাতক অ'এনজিচিৰ বিষয়া তাহিৰুল হুছেইনৰ বাবুপট্টীৰ মৃদুল শেষাংশ ৩ পৃষ্ঠাত



## চুমিৰ ঠিকনা কেন্দ্ৰীয় কাৰাগাৰ

**ই-সংবাদ, ২৬ অক্টোবৰঃ** আজিৰে পৰা গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ পৰিল চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভায়েক বিশাল ফুকন। ট্ৰেডিং কেলেংকাৰীৰ অভিযুক্ত শেষাংশ ৫ পৃষ্ঠাত

### আক্ৰমণত সামান্য ক্ষতিৰ বাদে আন একো হোৱা নাই বুলি দাবী তেহৰানৰ

# ইজৰাইলৰ ১০০ যুদ্ধ বিমানে কঁপালে ইৰাণৰ আকাশ



ইজৰাইলৰ আক্ৰমণ ব্যৰ্থ কৰা বুলি দাবী কৰি ইৰাণত পোষ্টাৰ

তেল আভিভ, ২৬ অক্টোবৰঃ **শনিবাৰে পুৱতি নিশা ইৰাণৰ ৰাজধানী তেহৰাণ আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলত ইজৰাইলে সংঘটিত কৰা ধাৰাবাহিক বিমান আক্ৰমণৰ পিছতে পুনৰ তীব্ৰ উত্তেজনাই বিৰাজ কৰিছে** শেষাংশ ২ পৃষ্ঠাত

## ধুবুৰীত আকৌ নাও দুৰ্ঘটনা

**ই-সংবাদ, ২৬ অক্টোবৰঃ** বিবাহযাত্ৰী কঢ়িয়াই নিয়া এখন নাও নৈৰ মাজত দুৰ্ঘটনাত পতিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে ধুবুৰী জিলাত। ধুবুৰী জিলাৰ কাউনবাৰীত গাঁৱত সংঘটিত নাও দুৰ্ঘটনাত ৫ শিশুসহ নিৰুদ্দেশ হৈ থকা বুলি জানিব পৰা গৈছে। আনহাতে ২০গৰাকী লোকক উদ্ধাৰ কৰা হৈছে যদিও আটাইকেইজন লোক আহত হোৱা বুলি শেষাংশ ৫ পৃষ্ঠাত

### কংগ্ৰেছে কৰিছে দাবী

## বিজেপি কৰ্মীৰ মৃত্যুক লৈ মিছাৰ আশ্ৰয় লৈছে মুখ্যমন্ত্ৰী হিমন্তই

**ই-সংবাদ, ২৬ অক্টোবৰঃ** বিজেপি কৰ্মীৰ মৃত্যুক লৈ এইবাৰ মিছাৰ আশ্ৰয় লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক ঘেৰিবলৈ প্ৰয়াস কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। শেষাংশ ৫ পৃষ্ঠাত

### যৌৱনৰ স্বপ্ন-সাধনাৰে অসমবাসীক দি গ'ল 'বিস্ময়' যুগ

## অন্তহীন বিস্ময়ৰ দেশলৈ শশী ফুকন

**ই-সংবাদ, ২৬ অক্টোবৰঃ** নব্বৈৰ দশকৰ প্ৰতিজন ডেকা-গাভৰু আৰু বয়োবৃদ্ধৰ বাবে এক শিঁহৰণৰ নাম আছিল 'বিস্ময়'। ইণ্টাৰনেটবিহীন



সেই যুগত বিস্ময়ে পৃষ্ঠাই পৃষ্ঠাই বাকি দিছিল এক ৰোমাঞ্চকৰ অভিজ্ঞতা। বিস্ময়ৰ পাতত আছিল ডেকা-গাভৰুৱ শেষাংশ ৪ পৃষ্ঠাত

## ক্ৰিপ্টকাৰেন্সিত ধন লাগে আলফাক

**ই-সংবাদ, ২৬ অক্টোবৰঃ** নোটৰ বাণ্ডিল নহয়, পৰেশ বৰুৱাক লাগে ক্ৰিপ্ট'কাৰেন্সি! ইতিমধ্যে ক্ৰিপ্ট'কাৰেন্সিযোগে বিদ্ৰোহী সংগঠনটোৱে ধন দাবী কৰা পত্ৰ ছ'চিয়েল মিডিয়াত ভাইৰেল শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইজৰাইলৰ ১০০ যুদ্ধ বিমানে

মধ্যপ্ৰাচ্যৰ ৰাজনীতিত। ইজৰাইলৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি ইৰাণৰ সামৰিক ঘাটিত শনিবাৰে পুৱতি নিশা অত্যাধুনিক এফ-৩৫ লাইটনিং-২ আৰু এফ-১৫আই ৰেম গ্ৰাউণ্ড এটেক জেট বিমানেৰে ইৰাণৰ মাটিত আক্ৰমণ চলাই ইজৰাইলে। ইজৰাইলৰ হেৰন মডেলৰ নতুন সংস্কৰণকে ধৰি কমেও ১০০খন যুদ্ধ বিমানে ইৰাণক আক্ৰমণ কৰিছে। এই ইজৰাইলী অভিযানক 'অপাৰেচন ডে অৱ ৰেপেণ্টেন্স' বা 'ডে অৱ ৰেপেণ্টেন্স' বুলি নামকৰণ কৰা হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে দাবী কৰে যে যোৱা মাহত ইৰাণৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দি ইজৰাইলে এই আক্ৰমণ চলায়। ইৰাণৰ কেইবাটাও সামৰিক ঘাটিত আক্ৰমণৰ ফলত ইজৰাইল আৰু ইৰাণৰ মাজত চলি থকা সংঘাত তীব্ৰতৰ হৈ পৰে, যাৰ ফলত সমগ্ৰ মধ্যপ্ৰাচ্যৰ ৰাজনীতি পুনৰ অধিক উত্তেজনাপূৰ্ণ হৈ পৰিছে। অৱশ্যে ইজৰাইলৰ এই আক্ৰমণত চুলি এডালৰ সমানো ক্ষতি হোৱা নাই বুলি দাবী কৰিছে ইৰানে। ইয়াৰ বিপৰীতে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমে ইজৰাইলৰ আক্ৰমণত ৩ ইৰাণী সৈনিক নিহত হোৱা বুলি দাবী কৰা হৈছে। ইফালে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ এই যুদ্ধ উত্তেজনাৰ পৰিপ্ৰেক্ষিতত ইৰাণ, ইৰাক আৰু ছিৰিয়াই নিজৰ আকাশমাৰ্গ বন্ধ কৰাৰ ঘোষণা কৰিছে। তথ্য অনুসৰি ইৰাণৰ আকাশমাৰ্গ এতিয়া সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। অৱশ্যে ইৰানে দাবী কৰিছে যে তেওঁলোকৰ আকাশমাৰ্গ পুনৰ মুকলি হৈছে আৰু বিমান পৰিবহণ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে। আনহাতে ইৰাকৰ সংবাদ মাধ্যমে প্ৰকাশ কৰিছে যে ইজৰাইলৰ আক্ৰমণে যাতে অসামৰিক বিমান পৰিবহণত প্ৰভাৱ পেলাব নোৱাৰে তাৰ বাবে নিৰাপত্তাজনিত কাৰণত তেওঁলোকৰ আকাশমাৰ্গও বন্ধ কৰি দিয়া হৈছে। ছিৰিয়াই নিৰাপত্তাজনিত কাৰণত নিজৰ আকাশমাৰ্গ সুৰক্ষিত হোৱাৰ লগতে গোলান উচ্চতাৰ পৰা ইজৰাইলৰ বিমান আক্ৰমণ চলি থকাৰ বাতৰিও প্ৰকাশ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে কয় যে তেওঁলোকে ইৰাণৰ নিৰ্দিষ্ট সামৰিক ঘাটিক লক্ষ্য কৰি লৈ আক্ৰমণ চলায়। উল্লেখ্য যে, শেহতীয়াকৈ অক্টোবৰৰ আৰম্ভণিতে ইৰাণে ইজৰাইলৰ ভূখণ্ডত ২০০ৰো অধিক বেলিষ্টিক মিছাইল নিক্ষেপ কৰিছিল। ইয়াৰে প্ৰত্যুত্তৰ দিয়া হৈছে বুলি মন্তব্য কৰে ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে। ইজৰাইলৰ এফ-৩৫ আৰু এফ-১৫ জেট বিমানে ইৰাণৰ ৰাডাৰ ব্যৱস্থা এৰাই চলি হাজাৰ কিলোমিটাৰতকৈও অধিক দূৰত্ব উৰা মাৰি তেহৰাণ, কাৰাজ, ছিৰাজ, ইলাম আৰু কুৰ্জেস্তান প্ৰদেশক আক্ৰমণ কৰে। ইজৰাইলে দাবী কৰে যে ১ অক্টোবৰত সংঘটিত হোৱা ক্ষেপণাস্ত্ৰ আক্ৰমণৰ প্ৰত্যুত্তৰ দি নতুন আক্ৰমণ চলোৱা হৈছে। ইজৰাইলৰ যুদ্ধ বিমানে ইৰাণৰ ৰাডাৰৰ পৰা হাত সাৰিবলৈ উচ্চ প্ৰযুক্তিৰ জেমাৰ ব্যৱহাৰ কৰে আৰু এফ-১৬আই চুফা এয়াৰ ডিফেন্স জেট বিমানো এই অভিযানত জড়িত বুলি পশ্চিমীয়া সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। ইজৰাইলৰ এই দাবীৰ উপৰিও লেবাননৰ হিজবুল্লাহৰ শীৰ্ষ নেতা হাছান নছৰল্লাহৰ হত্যাৰ প্ৰতিশোধ ল'বলৈ সশস্ত্ৰ সংগঠনটোৱে প্ৰস্তুতি চলোৱা বুলি বিভিন্ন বাতৰিয়ে প্ৰকাশ কৰিছে। ইফালে ইজৰাইলৰ আক্ৰমণৰ পিছতে ইৰানে সকিয়নী প্ৰদান কৰি কয় যে এই আক্ৰমণৰ কঠোৰ প্ৰত্যুত্তৰৰ বাবে এতিয়া ইজৰাইল সাজু হ'ব লাগিব। এনে পৰিপ্ৰেক্ষিতত ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক বিবৃতি অনুসৰি প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী গালাণ্টে ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৰা পোনপটীয়াকৈ আক্ৰমণৰ ওপৰত নজৰ ৰাখিছে আৰু ভৱিষ্যতে হ'ব পৰা যিকোনো আক্ৰমণৰ ক্ষেত্ৰত তেওঁলোকে বস্তুগতভাৱে সঁহাৰি জনাব বুলি কয়। ইফালে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পশ্চিম এছিয়াত ক্ৰমাৎ বৃদ্ধি পোৱা সংঘাতক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতে সকলো পক্ষকে সংযম দেখুৱাবলৈ আৰু শান্তিপূৰ্ণ আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। ভাৰতীয় বিষয়াসকলে কয় যে মধ্যপ্ৰাচ্যত চলি থকা যুদ্ধই নিৰীহ লোক আৰু অসামৰিক আন্তঃগাঁথনিৰ ওপৰত ক্ষতিসাধন কৰিছে, যিয়ে অধিক সংঘাতত ইন্ধন যোগাইছে। ভাৰতে অঞ্চলটোত শান্তি অনাৰ বাবে কূটনৈতিক উপায়েৰে সমস্যাটো সমাধান কৰিবলৈ সকলো পক্ষকে অনুৰোধ জনায়। মন কৰিবলগীয়া যে সাম্প্ৰতিক পৰিস্থিতিত ইজৰাইল আৰু ইৰাণ দুয়োখন দেশেই আক্ৰমণ-প্ৰত্যাক্ৰমণত ব্যস্ত হৈ আছে। যদিও ইৰাণে দাবী কৰিছে যে তেওঁলোকৰ সামৰিক ঘাটিসমূহ এতিয়াও অক্ষত অৱস্থাত আছে আৰু ইয়াৰ সামৰিক বাহিনীয়ে এই আক্ৰমণ প্ৰতিহত কৰাত সফল হৈছে, ইয়াৰ বিপৰীতে ইজৰাইলে বাৰে বাৰে উল্লেখ কৰিছে যে তেওঁলোকে নিজৰ দেশখনক সুৰক্ষা প্ৰদানৰ বাবে যিকোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু। এই পৰিস্থিতিৰ পৰা অনুমান কৰিব পাৰি যে পশ্চিম এছিয়াৰ নিৰাপত্তা পৰিস্থিতি ক্ৰমান্বয়ে জটিল হৈ পৰিছে, আৰু এই সংঘাত কিমান ব্যাপক হ'ব পাৰে সেয়া সময়ে ক'ব। এই লৈ এতিয়া সমগ্ৰ বিশ্বই দৃষ্টি ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদ্যুৎ বিভাগৰ প্ৰাক-দীপাৱলীৰ

আনন্দ-উল্লাস কৰিব খোজাত সৰৱ হৈছে কৃষক মুক্তি সংগ্ৰাম সমিতি। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে প্ৰকাশ কৰা এক জাননীত কৰ্মচাৰীসকলক ৩০ অক্টোবৰত প্ৰাক-দীপাৱলী উদযাপনত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছে। এই জাননী প্ৰত্যক্ষ কৰি জাঙুৰ খাই উঠিছে কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি কেইবাটাও সংগঠন। জাননীক লৈ আক্ৰমণাত্মক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে আক্ৰমণৰ লক্ষ্য কৰি লয় ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰক। গুৱাহাটীৰ বিজুলী ভৱনত প্ৰাক-দীপাৱলী উদযাপনৰ পৰিকল্পনা কৰাত তীব্ৰ নিন্দা কৰি ৰাজ্যখনত স্মাৰ্ট মিটাৰ আৰু বৰ্ধিত বিদ্যুতৰ বিলক লৈ প্ৰতিবাদ অব্যাহত থকাৰ কথা মনত পেলাই দিয়ে। আজি গুৱাহাটীত এক সংবাদমেল সম্বোধন কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম ৰাজ্যিক বিদ্যুৎ বিভাগক সমালোচনা কৰি প্ৰাক-দীপাৱলী উদযাপন ভিত্তিহীন বুলি অভিহিত কৰে। ৰাজ্যজুৰি স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে চলি থকা প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত প্ৰাক-দীপাৱলী উদযাপন কৰা কাণ্ডক তীব্ৰ সমালোচনা কৰে। দীপাৱলী উদযাপনৰ পৰিৱৰ্তে বিদ্যুৎ বিভাগে স্মাৰ্ট মিটাৰযোগে মানুহৰ পৰা লুটি লোৱা ধনেৰে ঝাণ্ডি-মুণ্ডা খেলিব লাগে বুলি তীৰ্যক মন্তব্য কৰে শইকীয়াই। আনহাতে, স্মাৰ্ট মিটাৰ বৰ্জনৰ দাবীত প্ৰতিবাদ অব্যাহত থকাৰ পাছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নীৰৱ হৈ থকাত প্ৰশ্ন কৰি বিদ্যুৎ শইকীয়াই কয় যে ৰাজ্যত বিদ্যুতৰ স্মাৰ্ট মিটাৰ আৰু বিদ্যুতৰ বৰ্ধিত বিল বৃদ্ধিত ৰাইজে সমস্যাত পৰি প্ৰতিবাদ কৰি গৈছে। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোছা নীৰৱে আছে। শক্তিমন্ত্ৰীৰ কোনো কাম নাই। ৰাজ্যখনত কি ঘটিছে নাজানে। যেতিয়া মানুহে স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আছে, তেনে সময়তে শক্তি বিভাগে অনুষ্ঠান আয়োজন কেনেদৰে কৰিব পাৰে? অবৈধভাৱে স্মাৰ্ট মিটাৰযোগে ৰাইজৰ পৰা লাখ লাখ টকা লুণ্ঠন কৰিছে। সেই ধনেৰে এটা অনুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখ্য যে, কেইবাখনো জিলাত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। বিভিন্ন সংগঠনৰ নেতৃত্বত প্ৰতিবাদ সাব্যস্ত কৰি ৰাইজে স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবী জনাইছে। আনকি অসমৰ বিৰোধী দলসমূহে ঐক্যবদ্ধভাৱে পল্টনবজাৰৰ বিজুলী ভৱন ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম ভাষা সুৰক্ষা সমিতি গঠন

ব্যক্তিয়ে আহোপুৰুষাৰ্থ কৰি গৈছে। ভাষাটোক প্ৰাণৱন্ত কৰি ৰাখিবলৈ হ'লে ভাষাটোৰ চৰ্চা হ'ব লাগিব। বাছ যাত্ৰা, ৰে'ল যাত্ৰা, পাচলিৰ বজাৰ, চৰকাৰী কাৰ্যালয়ত ভাষাটো ব্যৱহাৰ হ'ব লাগিব। পাঠ্যক্ৰমত অসমীয়া বাধ্যতামূলক কৰাৰ লগতে ঘৰুৱা পৰিৱেশত ভাষাৰ ব্যৱহাৰ মজবুত হ'ব লাগিব। নিজ ভাষাৰ কবিতা, গল্প, সাহিত্যৰ সৃষ্টিত গুৰুত্ব দিব লাগিব। তেনেই এক মহৎ উদ্দেশ্যে লৈ গুৱাহাটীত গঠন হৈছে অসম ভাষা সুৰক্ষা সমিতি। ৰাজধানী গুৱাহাটীৰ বুকুৰ পৰা আৰম্ভ কৰা হৈছে ভাষা সুৰক্ষাৰ যাত্ৰা। গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত বিশেষ সভাত অসম ভাষা সুৰক্ষা সমিতি গঠন কৰা হয়। বিশিষ্ট কবি নীলিম কুমাৰক সভাপতি, সন্দীপ ছমৰীয়াক সাধাৰণ সচিবৰ দায়িত্ব প্ৰদান কৰা হয়। অসমীয়া ভাষা সুৰক্ষা সমিতি গঠন কৰাৰ লগতে 'মোৰ ভাষা, মোৰ জননী' গীত উন্মোচন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অ'এনজিচিৰ ব্যৰ্থ অপহৰণ কাণ্ডৰ

পথত থকা বাসগৃহত আজি বিয়লিৰ পৰা পুনৰ আৰম্ভ হৈছে অভিযান। শিমলুগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সূৰ্য্যকান্ত বৰাৰ নেতৃত্বত তদন্তকাৰী বিষয়া আব্দুল মান্নান সহিতে তিনিগৰাকী বিষয়াৰ লগতে মহিলা আৰক্ষীৰ সহযোগত আৰম্ভ কৰা হয় এই অভিযান। পলাতক মাষ্টাৰ মাইণ্ড তাহিৰুলৰ পত্নীক লগত লৈ ১০ জনীয়া আৰক্ষীৰ দলটোৱে বিয়লি দুই বজাৰ পৰা বাতৰি প্ৰেৰণ কৰালৈকে অভিযান চলায়েই আছে যদিও কিবা আপত্তিজনক সামগ্ৰী উদ্ধাৰ হৈছে নে নাই সেই সম্পৰ্কে কোনো তথ্যই আৰক্ষীৰ তৰফৰ পৰা সদৰি কৰা নাই। অৱশ্যে অভিযান কালত মহিলা আৰক্ষীৰ সহযোগত তাহিৰৰ পত্নীক বাসগৃহটোৰ ভিতৰলৈ নি তন্ন-তন্নকৈ সকলো কোঠা পৰীক্ষা কৰা হৈছে। ইফালে এই ভয়ংকৰ অপহৰণ ষড়যন্ত্ৰৰ লগত জড়িত থকাৰ অভিযোগত শিৱসাগৰ আৰক্ষীয়ে পুনৰ দুজন যুৱকক আটক কৰিবলৈ সক্ষম হৈছে। গৌৰীসাগৰৰ পৰা শিৱসাগৰ আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট (এছআইটি)য়ে আটক কৰিবলৈ সক্ষম হোৱা যুৱক দুজনৰ নাম হৈছে অংকিত গগৈ আৰু দ্বীপেন গগৈ। এই অপহৰণ ষড়যন্ত্ৰৰ সময়ত অজ্ঞাত উৎসৰ পৰা আহিবলগীয়া পাঁচ কোটি টকাৰ প্ৰথম কিস্তিৰ ধন জমা কৰিবৰ বাবে প্ৰয়োজন হোৱা কেইবাটাও একাউন্ট খোলাৰ ক্ষেত্ৰত যুৱক দুজন জড়িত থকাৰ কথা জানিব পৰা গৈছে। মূল অপহৰণ ষড়যন্ত্ৰৰ পৰিৱৰ্তে অজ্ঞাত উৎসৰ পৰা আহিবলগীয়া ধন জমা কৰিবৰ বাবে একাউন্ট খোলাৰ কামত জড়িত যুৱক দুজনক এছআইটিৰ দলটোৱে দীৰ্ঘ সময় সোধা-পোচাৰ অন্তত দুয়োগৰাকীয়ে অভিযুক্তসকলৰ বিৰুদ্ধে সাক্ষী হিচাবে থিয় দিয়াত অংকিত আৰু দ্বীপেনক মুকলি কৰি দিয়া হয় বুলি জানিব পৰা গৈছে। অৱশ্যে তদন্ত প্ৰক্ৰিয়াত সম্পূৰ্ণ সহযোগ কৰাৰ আশ্বাস দিয়াৰ লগতে এছআইটিয়ে বান্ধি দিয়া কেতবোৰ চৰ্তৰ ভিত্তিত মুকলি কৰি দিয়া বুলি উক্ত নিৰ্ভৰযোগ্য সূত্ৰই সংবাদ মাধ্যমক জানিবলৈ দিছে। আনহাতে আলফা স্বাধীনৰ সৈতে মিলি অপহৰণ ষড়যন্ত্ৰ ৰচনা কৰাৰ অভিযোগত শিৱসাগৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈ ন্যায়িক জিম্মাত থকা ইৰচাদ লটিফ, চফিকুৰ ৰহমান, গুলীবিদ্ধ ৰাহুল হাজৰিকা ওৰফে লাডেন, মুবিন হাজৰিকা, ত্ৰিনয়ন বাৰোৱাতী, জৰিফৎদ্দিন আহমেদৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত তিনিটা দিনৰ পূৰ্বে বাবুপট্টিস্থিত ইৰচাদ লটিফৰ গৃহত এছআইটিৰ এক বৃহৎ অভিযান চলিছিল। শেহতীয়াকৈ জানিব পৰা মতে এছআইটিৰ দলটোৱে ইৰচাদ লটিফৰ বাসগৃহৰ পৰা অপহৰণ ষড়যন্ত্ৰৰ সময়ত যোগাযোগৰ বাবে ব্যৱহাৰ কৰা ৩৫ টা মবাইল ফোনৰ ছিম কাৰ্ড উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰোপৰি অভিযানকাৰী দলটোৱে লটিফৰ বাসগৃহৰ পৰা বহু সংখ্যক সাধাৰণ মবাইল ফোন উদ্ধাৰ কৰাৰ লগতে দুটা অত্যাধুনিক মবাইল ফোন জব্দ কৰিবলৈ সক্ষম হৈছে। শিৱসাগৰ আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে এই সম্পৰ্কত কোনো তথ্য সদৰি নকৰিলেও এক নিৰ্ভৰ যোগ্য সূত্ৰই সংবাদ মাধ্যমক জানিবলৈ দিছে এই ভয়ংকৰ তথ্য। আনহাতে দেশ জোঁকাৰিবলৈ সাজু হোৱা অ'এনজিচিৰ পাঁচ অনা-অসমীয়া বিষয়াৰ পৰিকল্পিত অপহৰণ ষড়যন্ত্ৰৰ মাষ্টাৰ মাইণ্ড তাহিৰুল হুছেইনৰ আজি ১২ টা দিন ওকলি যোৱাৰ পিছতো কোনো সন্ধান ওলোৱা নাই। যোৱা ১৪ অক্টোবৰ সন্ধিয়াতেই বিপদৰ আশংকা কৰি পলায়ন কৰিবলৈ সক্ষম হোৱা মাষ্টাৰ মাইণ্ড তথা অ এন জি চিৰ সহকাৰী অভিযন্তা তাহিৰুলক বিচাৰি শিৱসাগৰ আৰক্ষীৰ এছআইটিয়ে তীব্ৰ অভিযান চলাইছে যদিও কোনো অৱস্থিতিয়েই উলিয়াব পৰা নাই। অৱশ্যে ইয়াৰ মাজতেই আহি পৰিছে এক বিস্ফোৰক খবৰ। এক সূত্ৰই জানিবলৈ দিয়া মতে মাষ্টাৰ মাইণ্ড তাহিৰুলে গুৱাহাটীৰ অসম-মেঘালয় সীমান্তৰ এক স্থানত আত্মগোপন কৰিছে। ইয়াৰ বিপৰীতে এছআইটিয়ে দিনে-নিশাই মাষ্টাৰমাইণ্ড তাহিৰুলক বিচাৰি তীব্ৰ অভিযান চলাই থকাৰ মাজতেই তাহিৰুলৰ নামত থকা তিনিটা বেংক একাউন্ট আইনী প্ৰক্ৰিয়াৰে ছীল কৰিছে। জানিব পৰা মতে উল্লেখিত বেংক একাউন্ট কেইটাত বৃহৎ পৰিমাণৰ ধন জমা থকাৰ তথ্যও পোহৰলৈ আহিছে। অৱশ্যে নিগমৰ চাকৰিৰ লোভনীয় দৰমহা, বিভিন্ন বিনামূলীয়া নিগমৰ তৰফৰ পৰা প্ৰদান কৰা সা-সুবিধাৰ পিছতো কিয় তাহিৰুলে ইমান এক জঘন্য পৰিকল্পনাত অংশগ্ৰহণ কৰিছিল তাক লৈ খোদ তদন্তকাৰী গোটো বিভ্ৰান্তত পৰিছে। এক সূত্ৰই জানিবলৈ দিয়া মতে অপহৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি চলাবৰ বাবেই লাডেন-তাহেৰ বাহিনীয়ে আলফা স্বাধীনৰ পৰা বৃহৎ পৰিমাণৰ ধন আদায় পাবলৈ সক্ষম হৈছিল। যাৰ বাবে অজ্ঞাত স্থানৰ পৰা দিয়া নিৰ্দেশৰ ভিত্তিতেই প্ৰায় ডেৰ মাহ যোৱা পৰিকল্পনা আৰু কেতবোৰ বচা বচা যুৱকৰ সৈতে গঠন কৰিছিল এই বিশেষ গোটটো। যিটো গোটত অংশগ্ৰহণ কৰা যুৱকসকলক পৃথকে পৃথকে দুটা বেলেগ গোটত বিভক্ত কৰা হৈছিল। এটা গোটে অপহৰণৰ সমগ্ৰ অভিযান কাৰ্যকৰী কৰাৰ লগতে আনটো গোটে তথ্য প্ৰমাণ যোগান ধৰা, যান-বাহন যোগান ধৰাৰ কামত নিয়োজিত আছিল। অপহৰণ কাৰ্য্যৰ পূৰ্বে কোনো পক্ষই তিল মাত্ৰাও এই ভয়ংকৰ অপহৰণ ষড়যন্ত্ৰৰ কোনো উমান পোৱা নাছিল। কিয়নো ডিমাপুৰৰ পৰা অনা ছিম কাৰ্ডৰ সহায়ত এই চক্ৰটোৰ মাজত যোগাযোগ চলোৱা হৈছিল। আন নালাগে এই ভয়ংকৰ অপহৰণ কাৰ্য্য নিখুঁত ৰূপায়ণৰ বাবে এটা বিশেষ এপ প্ৰস্তুত কৰি চক্ৰটোৱে ব্যৱহাৰ কৰাৰো খবৰ পোহৰলৈ আহিছে। প্ৰাৰম্ভিক প্ৰস্তুতিতেই বিশাল অংকৰ ধন ব্যায়, অজ্ঞাত উৎসৰ পৰা ধনৰ আগমন আৰু অপহৰণ সফল হ'লেই প্ৰথম কিস্তিত মুঠ পাঁচ কোটি টকা আৰু অপহৃতসকল আলফা স্বাধীনৰ সহযোগত শিবিৰ পালেই আন এক বৃহৎ পৰিমাণৰ ধন উল্লেখিত একাউন্ট সমূহত জমা হোৱাতো নিশ্চিত আছিল। শিৱসাগৰ আৰক্ষীয়ে বেংকৰ একাউন্ট খুলিবৰ বাবে বেংকত উপস্থিত হোৱা চক্ৰটোৰ অংকিত, দ্বীপেনৰ লগতে লটিফ আৰু তাহিৰুলৰ চি চি টিভিৰ ফুটেজ লাভ কৰা বুলি জানিব পৰা হৈছে। আপাতঃ দৃষ্টিত অতি সৰল যেন লগা ধৃত চফিকুৰ, মুবিন, জৰিফৎ, ত্ৰিনয়ন, ইৰ্চাদ লটিফ বাস্তৱিকতে এই অপহৰণ কাণ্ডৰ সকলো তথ্য, পৰিকল্পনাৰ সৈতে আৰম্ভণিৰ পৰাই জড়িত বুলি আৰক্ষীৰ এক উচ্চস্তৰীয় সূত্ৰই জনাইছে। যাৰ বাবে পলাতক তাহিৰুলৰ পিছতেই দ্বিতীয়টো মাষ্টাৰমাইণ্ড হিচাবে পৰিচিত ইৰচাদ লটিফৰ পৰা অধিক তথ্য উদ্ধাৰৰ বাবে তদন্তকাৰী আৰক্ষীয়ে আজি আদালতৰ অনুমতি সাপেক্ষে কাৰাগাৰত থকা লটিফক তিনিদিনৰ নিজৰ জিম্মাত লৈছে। একে সময়তে সম্প্ৰতি পলাতক তাহিৰুল আৰু গুলীবিদ্ধ ৰাহুল হাজৰিকা ওৰফে লাডেন আছিল অপহৰণ ষড়যন্ত্ৰৰ মাষ্টাৰ মাইণ্ড হিচাবে তদন্তকাৰী গোটে চিনাক্ত কৰিছে। ২০১৯ চনত আত্মসমৰ্পণ কৰি আৰক্ষীৰ গুপ্তচৰ হিচাপে কাম কৰি থকা ৰাহুলে আৰক্ষীকো প্ৰৱঞ্চনা কৰাৰ ভয়ংকৰ অভিযোগ পোহৰলৈ আহিছে। উল্লেখ্য যে, চলিত মাহৰ ৬ অক্টোবৰৰ সন্ধিয়া ৬ বজাৰ পৰা ৬ বাজি ৩০ মিনিটৰ ভিতৰত বকতা-নেমুগুৰিস্থিত নিগমৰ এটা ৰিগৰ পৰা পাঁচ অনা-অসমীয়া বিষয়াক নঙলা মৰা দলঙৰ সমীপৰ পৰাই এই দুঃসাহসিক অপহৰণৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। কিন্তু অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্য্যালয়ৰ তৰফৰ পৰা প্ৰেৰণ কৰা এক তথ্যৰ ভিত্তিত শিৱসাগৰ আৰক্ষীয়ে চলোৱা তাৎক্ষণিক অভিযানৰ বাবেই এই ভয়ংকৰ অপহৰণ কাৰ্য্য বিফল হৈছিল। স্মৰ্তব্য যে, ২০২১ চনতো লাকুৱা তৈলক্ষেত্ৰৰ অন্তৰ্গত ৰোমানীয়া ৰিগ ১ নম্বৰৰ পৰা তিনি নিগমৰ বিষয়াক আলফা স্বাধীনে সফলতাৰে অপহৰণ কৰি নি ম্যানমাৰত উপস্থিত হৈছিল যদিও পৰৱৰ্তী সময়ত ডঃ হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত মুকলি হৈ আহিবলৈ সক্ষম হৈছিল। তেনেস্থলত ১২ দিনীয়া ক্ষেত্ৰভিত্তিক তদন্তত জড়িত প্ৰায় সংখ্যক অভিযুক্তই আৰক্ষীৰ জালত পৰিছে যদিও মূল মাষ্টাৰ মাইণ্ড তাহিৰুল আত্মগোপন কৰি থকাক বহু বিস্ফোৰক তথ্য এতিয়াও পোহৰলৈ আহিবলৈ বাকী থকা বুলি জানিব পৰা গৈছে। ঘটনাটোক লৈ এতিয়া সমগ্ৰ শিৱসাগৰতে চাঞ্চল্য অব্যাহত আছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অন্তহীন বিস্ময়ৰ দেশলৈ শশী ফুকন

ভালপোৱা আৰু প্ৰেমৰ কথা, আছিল বয়োবৃদ্ধসকলৰ বাবে আৰ্থ-সামাজিক দিশৰ কথা। বিস্ময়ত আছিল সুস্থ সমাজ গঠনৰ চৰ্চা। 'প্ৰিয়বন্ধ', 'বিনিময়'ৰ দৰে শিতানৰ জৰিয়তে কলেজীয়া যুৱক-যুৱতীসকলৰ প্ৰেমৰ এক সেঁতু হৈ পৰিছিল বিস্ময়। সাহিত্য, সংস্কৃতি, বিজ্ঞানসহ সকলো দিশ সামৰি বিস্ময় আছিল অসমীয়া মানুহৰ হৃদয়ৰ এক মুক্ত সংগী। অসমীয়া আৰু ইংৰাজী নৱবৰ্ষৰ সময়ত বিস্ময়ে গ্ৰাহকসকলক প্ৰদান কৰা বিনামূলীয়া কেলেণ্ডাৰখন ঘৰৰ বেৰত ওলমাই এক মধুৰ সুখানুভূতিৰে ভৰি পৰিছিল পঢ়ুৱৈৰ মন। অসমীয়া থিয়েটাৰ জগত আৰু চলচ্চিত্ৰ জগতৰ মুখপাত্ৰৰ দৰে আছিল বিস্ময়। নৃত্য, অভিনয় প্ৰতিভাক চিনাকী কৰাই দিয়া শিতান আছিল 'চলচ্চিত্ৰ জগত'। থিয়েটাৰ, চলচ্চিত্ৰৰ আখৰা, অভিনেতা-অভিনেতা বিচৰাৰ বিজ্ঞাপন, চলচ্চিত্ৰৰ মুকলিৰ দিন, মহুৰত আদিৰ কথা বিস্ময়তে প্ৰকাশ পাইছিল। পৰ্যটনস্থলী, কাৰ্টুন, খেল, প্ৰেমৰ কথা ভৰি আছিল বিস্ময়ৰ পৃষ্ঠাই পৃষ্ঠাই। আশী আৰু নৱৈৰ দশকৰ এই মাহেকীয়া আলোচনীখনৰ প্ৰথম সংস্কৰণখন হাতত লৈ বিশিষ্ট সাহিত্যিক তীৰ্থনাথ শৰ্মাই কৈছিল, ''শশী ফুকনে ভাল কাম কৰিছে। ৰে'লে-বাছে পঢ়িব পৰা, জেপত লৈ ফুৰিব পৰা এখন আলোচনীৰ অভাৱ আছিল। বিস্ময়ে সেই অভাৱ পূৰণ কৰিলে।'' হয়, এসময়ৰ অসমৰ সৰ্বাধিক জনপ্ৰিয় আলোচনী বিস্ময়ৰ জনক আছিল শশী ফুকন। ১৯৬৮ চনত গুৱাহাটীত এটা ভাড়া ঘৰৰ পৰা আৰম্ভ হৈছিল বিস্ময়ৰ সুদীৰ্ঘ যাত্ৰা। ২০১৮ চনত ৫০ বছৰ সম্পূৰ্ণ কৰা এই অসমীয়া আলোচনীখন মাজতে আৰ্থিক অনাটন আৰু পঢ়ুৱৈৰ অভাৱত বন্ধ হৈ পৰিছিল। কিন্তু এইবাৰৰ অক্টোবৰৰ পূজাৰ সংখ্যাৰ পৰা পুনৰ পঢ়ুৱৈৰ কাষ চপা বিস্ময়ৰ কাণ্ডাৰীগৰাকীহে এতিয়া গুচি গ'ল চিৰবিদায় লৈ। শুকুৰবাৰে নিশা হাস্পতালত চিকিৎসাধীন অৱস্থাত ৭৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে ৰাজ্যৰ বিশিষ্ট সাহিত্যিক, বিস্ময়ৰ মুখ্য পৃষ্ঠপোষক, সম্পাদক শশী ফুকনে। ৭ ছেপ্টেম্বৰত ঘৰৰ মজিয়াত হঠাৎ ঢলি পৰা শশী ফুকনক প্ৰথমে হায়াট হাস্পতাল আৰু পিছত জিএমচিএইচত ভৰ্তি কৰোৱা হৈছিল। তাতেই শুকুৰবাৰে নিশা ১০.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে বিস্ময়ৰ সম্পাদকগৰাকীয়ে। বিস্ময়ৰ প্ৰেমত পৰা প্ৰতিগৰাকী অসমীয়াৰ বাবে যেন এয়া এক বিশ্বাস কৰিব নোৱাৰা খবৰ। 'বিস্ময়'ক মানুহৰ ওচৰলৈ নিয়া চমৎকাৰ মানুহজন বুলি পৰিচিত শশী ফুকনৰ বিস্ময়ে ইতিমধ্যে ৫৪ বছৰত ভৰি দিছে। অসমৰ ইতিহাসত তেনে আলোচনী অতি কম আছে যিয়ে ৫৪টা বছৰ প্ৰকাশ কৰি থাকিব পাৰিছে। কিন্তু বিস্ময়ক ৫৪টা বছৰ ধৰি পঢ়ুৱৈৰ ওচৰলৈ নিয়া শশী ফুকনৰ এই যাত্ৰাত আছে বহু উত্থান-পতন, সংগ্ৰামৰ দস্তাবেজ। বিশ্বনাথ চাৰিআলিৰ টেঙাবাৰি গাঁৱত স্বৰ্গীয় চন্দ্ৰভা শৰ্মা ফুকনৰ ঘৰত জন্মগ্ৰহণ কৰি স্থানীয় স্কুলতে প্ৰাথমিক, উচ্চ আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল শশী ফুকনে। ১৯৬৪ চনত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ গুৱাহাটীলৈ বিএচচি পঢ়িবলৈ আহি প্ৰাগজ্যোতিষ কলেজত নাম ভৰ্তি কৰে তেওঁ। কিন্তু স্বাস্থ্যজনিত কাৰণত ফুকনে শিক্ষা সাং কৰিব নোৱাৰিলে। ১৯৬৮ চনত বন্ধুৰ সৈতে থকা ভাড়াঘৰটোৰ মালিকৰ পুত্ৰৰ পৰা এখন আলোচনী প্ৰকাশৰ প্ৰস্তাৱ লাভ কৰিছিল ফুকনে। ইয়াৰ পিছতে তেওঁলোকে প্ৰথমে 'সময়' নামেৰে এখন আলোচনী আৰম্ভ কৰে যদিও প্ৰকাশকৰ অনীহা আৰু বিভিন্ন কাৰণত কিছু দিনৰ পিছতে এই আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ পৰে। কিন্তু ইয়াৰ পিছতো থমকি ৰ'ব নিবিচৰা শশী ফুকনে তেওঁৰ কেইবাগৰাকীও বন্ধুৰ সৈতে আলোচনা কৰি আন এখন আলোচনী প্ৰকাশৰ সিদ্ধান্ত লয়। ইয়াৰ পিছতে প্ৰকাশৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি আলোচনীখনৰ নাম ঠিৰাং কৰিবলৈ তেওঁলোক কাষ চাপে বিশিষ্ট সাহিত্যিক ভৱেন্দ্ৰনাথ শইকীয়াৰ। তেঁৱেই আলোচনীখনৰ নাম চূড়ান্ত কৰে 'বিস্ময়'। ১৯৬৯ চনৰ জানুৱাৰী মাহত নৱৈ পৃষ্ঠাৰ প্ৰথম সংখ্যা প্ৰকাশ পায়। তেতিয়া আলোচনীখনৰ দাম আছিল এটকা। প্ৰথমাৱস্থাত মাত্ৰ এহাজাৰ কপি উলিওৱা হৈছিল আলোচনীখনৰ। ১৯৭০ চনৰ জানুৱাৰীৰ পৰা 'বিস্ময়'ক মাহেকীয়া কৰা হয়। লাহে লাহে বিস্ময়খনে পঢ়ুৱৈৰ মনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হয়। ১৯৭৩ চনত ভৰলুমুখত অফিচসহ এটা সৰু প্ৰেছৰ জৰিয়তে বিস্ময়ৰ আৰম্ভ হয় এক নতুন যাত্ৰা। ক্ৰমান্বয়ে অধিক জনপ্ৰিয় হৈ পৰা আলোচনীখনৰ আশীৰ দশকত এক লাখ কপি পৰ্যন্ত বিক্ৰী হ'বলৈ আৰম্ভ কৰে। পিছলৈ বিস্ময়ৰ কাৰ্যালয় হেদায়েৎপুৰ, খ্ৰীষ্টানবস্তী, ৰাজগড় আৰু জোনালীলৈ স্থানান্তৰ হৈছে। বিস্ময়ত প্ৰথম পৃষ্ঠাৰ সম্পাদকীয়ত শশী ফুকনৰ এটা স্বাক্ষৰ আছিল। সেই স্বাক্ষৰটোৱে আছিল বিস্ময়ৰ চিনাকী। বিস্ময়ৰ পাতৰ পৰাই ৰঞ্জু হাজৰিকা, সত্যৰঞ্জন কলিতা, প্ৰফুল্ল কুমাৰ দত্ত, জিমণি চৌধুৰী, আল্পনা হাজৰিকা, ৰঞ্জিত চাৰিংগীয়া, মৃত্যুঞ্জয় মহন্ত, চন্দনা পাঠক, পৰিণীতা বুজৰবৰুৱা, সুৱৰ্ণ ফুকন, ৰজনী বৰুৱা, বৈদুৰ্য্য বৰুৱা, বন্দিতা ফুকন, অলকানন্দা দত্ত, ডঃ ছাইদুল ইছলাম, ডঃ উপেন ৰাভা হাকাচাম, গোপী তামুলী, ৰূপক জি দুৱৰা, অৰুণলোচন দাস, উৎপল দত্ত, চিৰঞ্জীৱ দত্ত, যুগল লোচন দাস, প্ৰবাল খাউণ্ড, হেমচন্দ্ৰ দলেৰ নাম জানিছিল আশী আৰু নৱৈৰ দশকৰ পঢ়ুৱৈয়ে। ইণ্টাৰনেট, টিভি, ছ'চিয়েল মিডিয়াৰ প্ৰচলনৰ লগে লগে অন্য বাতৰিকাকত, আলোচনীৰ দৰে হ্ৰাস পাবলৈ আৰম্ভ কৰে বিস্ময়ৰো পঢ়ুৱৈৰ সংখ্যা। একে সময়তে আলোচনীখনলৈ নামি আহে আৰ্থিক সংকটো। এনেবোৰ কাৰণতে দুবছৰ পূৰ্বে আলোচনীখনৰ প্ৰকাশ বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল প্ৰকাশকসকলে। কিন্তু শেহতীয়াকৈ এই আলোচনীখনৰ প্ৰকাশৰ বাবে পুনৰ উদ্যোগ গ্ৰহণ কৰিছিল শশী ফুকন আৰু বাকীসকলে। ইয়াৰ পিছতে অক্টোবৰ সংখ্যা প্ৰকাশ পাইছিল আলোচনীখনৰ। কিন্তু তাৰ পিছতে সম্পাদক শশী ফুকনৰ বিয়োগৰ খবৰে আজি মৰ্মাহত কৰিছে প্ৰতিজন বিস্ময়প্ৰেমী অসমীয়াক। অৱশ্যে পিতৃৰ নিথৰ দেহৰ কাষত থিয় হৈ বিস্ময়ৰ এই যাত্ৰা কেতিয়াও বন্ধ নহয় বুলি প্ৰতিশ্ৰুতি দিছে প্ৰয়াত শশী ফুকনৰ পুত্ৰই। আজি বহু গুণমুগ্ধৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হয় বিশিষ্ট সাহিত্যিক, বিস্ময়ৰ সম্পাদক শশী ফুকনৰ। তেওঁৰ নশ্বৰ দেহ আজি পঞ্চভূতত বিলীন হ'লেও অসমীয়া সাহিত্যত এটা বিস্ময় যুগৰ সৃষ্টি কৰি যোৱা স্বনামধন্য ব্যক্তিগৰাকীক মনত ৰাখিব প্ৰতিজন অসমীয়াই।

# বিজেপিক ২০২৬ৰ পূৰ্বে ৰ্বাক অভাৱ অসমৰ বিৰোধীৰ

**ই-সংবাদ, গুৱাহাটী, ২৬ অক্টোবৰঃ** উদ্দেশ্যে এটাই। বিজেপিক পৰাভূত কৰিব লাগে। কিন্দু বিৰোধী বিজেপিৰ পৰাভূত কৰাৰ কথা মুখত কয় যদিও হাতে-কামে বিজেপিক ৰ্বক অভাৱ দিয়ে। বাৰে বাৰে দেশ তথা অসমৰ বিৰোধীসকলৰ তেনে চৰিত্ৰ প্ৰকট হৈ আহিছে। সাধাৰণ নিৰ্বাচন, বিভিন্ন ৰাজ্যৰ নিৰ্বাচনত বিৰোধীয়ে এক হৈ যুঁজাৰ কথা কয় যদিও শেষত আসন, অহংকাৰ, লবীবাজিৰ পৰা সেয়া হৈ নুঠে। সকলোৱে ভাগে বাগে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিজেপিক জয়ী হোৱাৰ ৰাস্তা মুকলি কৰি দিয়ে। দম্ভ, অহংকাৰত মত্ত বিৰোধীৰ বৰ্তমানৰ অৱস্থা এনেকুৱাই। সময়ৰ পৰা শিক্ষা নোলোৱা বিৰোধীয়ে অসমত অনুষ্ঠিত ৫ সমষ্টিৰ উপ-নিৰ্বাচনত তেনেকুৱাই কৰিলে। পূৰ্বৰে পৰা আসন ভাগ-বাটোৱাৰা কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা আছিল যদিও শেষত 'গালো বালো খোলাকতি তাল' হৈ পৰে। অসমৰ ৫টা সমষ্টিৰ ভিতৰত বিহালী চিপিআইএমএলক এৰি নিদিলে কংগ্ৰেছে। বিহালীত পৃথকে পৃথকে প্ৰাৰ্থী থিয় কৰাইছে কংগ্ৰেছ আৰু অসম সন্মিলিত মৰ্চাই। ইপিনে আম আদমী পাৰ্টীও চামগুৰি আৰু বিহালীত প্ৰাৰ্থী কৰাইছে। বিৰোধী ঐক্য ভাঙি থান-বান হোৱাত বিৰোধী দলসমূহে ভাগে ভাগে শক্তি প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰিছে। ২০২৬ চনত বিধানসভা নিৰ্বাচনৰ চেমীফাইনেলত পৰিণত হোৱা উপ-নিৰ্বাচনত আকৌ আপে দিল্লীৰ নেতাক হায়াৰ কৰিছে। অসমৰ ৰাজনীতিত সাংগঠনিক ভেটি শূন্য হৈ থকা আপে চামগুৰি আৰু বিহালীত প্ৰচাৰ চলাবলৈ দিল্লীৰ পৰা আনিহ কমেও ১০ জন ষ্টাৰ কেম্পেইনাৰ। অৰবিন্দ কেজৰিৱাল, মনীষ চিছোদিয়া, দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী মাৰ্লেনা, পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, সঞ্জয় সিং, ক্ৰিকেটাৰ তথা আপৰ ৰাজ্যসভাৰ সাংসদ হৰভজন সিঙে দুয়োটা সমষ্টিত প্ৰচাৰ চলাব। ৰাঘৱ চাদ্দা, ডঃ সন্দীপ পাঠক, দিল্লী চৰকাৰৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজ, ইমৰাণ হুছেইন, গোপাল ৰায়, জেছমিন শ্বাহসহ মুঠ ২৮ গৰাকী ৰাষ্ট্ৰীয় নেতা আহিব অসমলৈ। আপে ১২ গৰাকী ৰাজ্যিক নেতাৰ নাম ষ্টাৰ কেম্পেইনাৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি কৰ্মীৰ মৃত্যুক লৈ মিছাৰ আশ্ৰয়

সমাগত ৰাজ্যৰ পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ পৰাজয় দেখি কংগ্ৰেছক ভূত দেখাদি দেখিববলৈ আৰম্ভ কৰিছে মুখ্যমন্ত্ৰীয়ে। এই মন্তব্য কৰিছে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। উল্লেখ্য যে, শেহতীয়াকৈ চামগুৰিত সাংবাদিক আৰু এজন বিজেপি কৰ্মীৰ সংঘাতৰ পৰিণতিত বিপুল শইকীয়া নামৰ বিজেপি কৰ্মীজনৰ মৃত্যুৰ পিছতে সমগ্ৰ চামগুৰিত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। কিন্তু চামগুৰিৰ এই সমগ্ৰ ঘটনাক এক অন্য ৰূপ প্ৰদানৰ প্ৰয়াসত বিজেপি কৰ্মীৰ হত্যাৰ সৈতে কংগ্ৰেছৰ গুণ্ডাবাহিনী জড়িত থকা বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। অৱশ্যে মুখ্যমন্ত্ৰীৰ এই দাবীক মিছা প্ৰমাণিত কৰিছে খোদ চামগুৰিৰ বিজেপি কৰ্মীয়েই। উল্লেখ্য যে, চামগুৰিত বিপুল শইকীয়া নামৰ বিজেপিৰ কৰ্মীজনৰ মৃত্যুকাণ্ডত দাখিল কৰা এজাহাৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ নৌহওঁতেই ছ'চিয়েল মিডিয়াত এটা পোষ্টত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লিখিছে, 'চামগুৰিত কংগ্ৰেছ দলৰ গুণ্ডা বাহিনীয়ে হিংসাত্মক আক্ৰমণেৰে হত্যা কৰা অসম প্ৰদেশ বিজেপিৰ চামগুৰিৰ কাৰ্যকৰ্তা বিপুল শইকীয়াৰ আত্মাৰ সদগতি কামনা কৰিছো। এই আকস্মিক পৰিস্থিতিত শোকাকুল পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। খবৰটিত যথেষ্ট ব্যথিত হৈছো। এই মৃত্যুৰ বাবে জগৰীয়াসকলক নিশ্চিতভাৱে উচিত শাস্তি প্ৰদান কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে আগলৈ লিখিছে, 'এনে কাৰ্য সংঘটিত কৰা তথা নিৰ্বাচন ব্যৱস্থাৰ প্ৰতি অনাস্থা দেখুওৱা কংগ্ৰেছীসকলৰ ধৰ্ম। এই ঘটনাই কংগ্ৰেছ দলৰ লেতেৰা ৰাজনীতিক পুনৰবাৰ উদঙাই দিলে। সংবিধান বচোৱাৰ শ্ল'গান দিয়াসকলেই নিৰ্বাচনী হিংসাক উদগনি জনোৱা প্ৰকৃততে গণতন্ত্ৰৰ ওপৰত নিৰ্মম আক্ৰমণ। আমাৰ কাৰ্যকৰ্তাৰ এই বলিদান আমি অথলে যাবলৈ নিদিওঁ, দোষীক উচিত শাস্তি বিহিবলৈ আমি অংগীকাৰবদ্ধ।' মুখ্যমন্ত্ৰীয়ে এনেদৰে স্পষ্টভাৱে কংগ্ৰেছক দায়ী কৰিলেও অৱশ্যে মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্য যে কেৱল ৰাজনৈতিক মিথ্যাচাৰৰ বাহিৰে আন একো নহয় সেই কথা উদঙাইছে খোদ চামগুৰিৰ বিজেপি কৰ্মীয়ে। ইফালে বিপুল শইকীয়াৰ মৃত্যু সন্দৰ্ভত পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰতো দূৰ দূৰণিলৈ উল্লেখ নাই কংগ্ৰেছ অথবা কোনো ৰাজনৈতিক দলৰ নাম। ঘটনাৰ প্ৰকৃত দিনটোৰ কথা উল্লেখ কৰি চামগুৰিৰ এজন বিজেপি কৰ্মীয়ে সংবাদ মাধ্যমৰ আগত কয় যে বিপুল শইকীয়াই পানী বিতৰণ কৰি থকাৰ সময়তে কোনো বিষয়ত তৰ্কা-তৰ্কিৰ সৃষ্টি হৈছিল জনৈক হক নামৰ এজন সাংবাদিকৰ লগত। দুয়োৰে মাজৰ কাজিয়াৰ সময়তে সাংবাদিকজনে মাইক্ৰ'ফোনেৰে বিপুল শইকীয়াৰ মূৰ আৰু গুপ্তাংগত আঘাত কৰাত বিজেপি কৰ্মীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু পিছদিনা মৃত্যু ঘটে। ইফালে এই ঘটনা সন্দৰ্ভত বিপুল শইকীয়াৰ ভাতৃ বাবুল শইকীয়াই দাখিল কৰা এজাহাৰতো অভিযুক্তৰ নাম এম জে হক বুলি উল্লেখ কৰা হৈছে। ভাতৃ বাবুল শইকীয়াই কয়, "বিজেপিৰ এখন সভা থকাত মোৰ ভাতৃয়ে ভগামুখ ঈদগাহ ময়দানত পানী বিতৰণ কৰি আছিল। তেনে সময়তে অভিযুক্তজনে মোৰ ভাতৃক মাইক্ৰফোনেৰে মূৰত আৰু গুপ্তাংগত আঘাত কৰে। ফলত মোৰ ভাতৃৰ মৃত্যু হয়।" এই সমগ্ৰ ঘটনাত কংগ্ৰেছ জড়িত বুলি কোনো প্ৰমাণ নথকা সত্বেও মুখ্যমন্ত্ৰীৰ দায়িত্বত থাকিও অপপ্ৰচাৰ চলোৱা হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এতিয়া সৰৱ হৈ পৰিছে কংগ্ৰেছ। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ তীব্ৰ নিন্দা কৰি কয় যে মুখ্যমন্ত্ৰীয়ে সম্পূৰ্ণ ঘটনা সম্পৰ্কে পৰিষ্কাৰ ধাৰণা নথকাকৈ কংগ্ৰেছক দোষাৰোপ কৰা একেবাৰে অনুচিত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই নিজৰ ৰাজ্যৰ আইন-শৃংখলা নিয়ন্ত্ৰণত ব্যৰ্থ হৈ এতিয়া কংগ্ৰেছক ভূত দেখাদি দেখিববলৈ আৰম্ভ কৰিছে বুলি সমালোচনা কৰে বেদব্ৰত বৰাই। বৰাই কয়, "মুখ্যমন্ত্ৰীয়ে বিৰোধীৰ আসনত থকা কংগ্ৰেছক মিছা অভিযুক্ত সজাবলৈ প্ৰয়াস কৰাৰ পৰিৱৰ্তে নিজৰ গৃহ বিভাগক সঠিকভাৱে পৰিচালনা কৰক আৰু আইনগতভাৱে সঠিক তদন্তৰ মাধ্যমেৰে প্ৰকৃত দোষী বিচাৰি উলিয়াওক।" অন্য কংগ্ৰেছ নেতাসকলে কয় যে, মুখ্যমন্ত্ৰীয়ে সঠিক তদন্তৰ পূৰ্বে কংগ্ৰেছৰ বিৰুদ্ধে মিছা অপবাদ প্ৰচাৰ কৰি জনতাক বিভ্ৰান্ত কৰিব বিচাৰিছে। কংগ্ৰেছ নেতাসকলে মুখ্যমন্ত্ৰীৰ বক্তব্যক "দায়িত্বজ্ঞানহীন" বুলি আখ্যা দি কয় যে, শাসকীয় দায়িত্বত থকা এজন ব্যক্তিয়ে এইধৰণৰ মন্তব্য দিয়া উচিত নহয়। তেওঁলোকে লগতে কয় যে, "মুখ্যমন্ত্ৰীয়ে শিৰোমণি বৰাৰ সৈতে আৰু কংগ্ৰেছৰ ওপৰত হোৱা আক্ৰমণৰ সময়ত কঠোৰ ব্যৱস্থা লৈ কাৰ্যকৰী পদক্ষেপ লোৱাহেঁতেন আজি চামগুৰিত সংঘটিত এই ধৰণৰ ঘটনা প্ৰতিহত কৰিব পৰা গ'লহেঁতেন।" কংগ্ৰেছৰ মতে, মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে এক মিছা চিত্ৰ উপস্থাপন কৰি সাম্প্ৰদায়িক ৰাজনীতিৰ পথলৈ গতি কৰিছে। কংগ্ৰেছৰ দাবী মতে, মুখ্যমন্ত্ৰীয়ে কৰা এই ধৰণৰ বিতৰ্কিত মন্তব্যই সমগ্ৰ পৰিস্থিতি অধিক জটিল আৰু সংঘাতপূৰ্ণ হোৱাৰ আশংকা বৃদ্ধি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চুমিৰ ঠিকনা কেন্দ্ৰীয় কাৰাগাৰ

মুঠ ৮ কয়দীয়ে এতিয়াৰে পৰা দিন পাৰ কৰিব গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰাত। ডিব্ৰুগড় আৰক্ষীয়ে শুকুৰবাৰে দিনৰ ৩ বজাত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ অস্থায়ী কোঠাত ৮ জন কয়দীক ৰাখে। ইয়াৰ পিছতে আজি পুৱা প্ৰায় ১১ বজাত পাণবজাৰস্থিত কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতলৈ লৈ যাবলৈ আৰক্ষী দলটো ৰাওনা হয়। যাৰ বাবে আদালত চৌহদত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হয়। দিনৰ প্ৰায় ২ বজাত আদালতত হাজিৰ কৰোৱাত ন্যায়াধীশে ডিব্ৰুগড় আৰক্ষীৰ জিম্মাৰ পৰা গুৱাহাটী আৰক্ষীৰ জিম্মাত দিয়ে ৮ কয়দীক। ডিব্ৰুগড় আৰক্ষীয়ে তাৰ পাছতে গুৱাহাটীৰ পৰা প্ৰস্থান কৰে। শুকুৰবাৰে মহিলা ৱাৰ্ডৰ সুকীয়া কোঠাত নিশা কটাইছিল চুমি বৰাই। আনহাতে ৭ পুৰুষ কয়দীক পুৰুষ ৱাৰ্ডৰ সুকীয়া কোঠাত কোৱাৰাণ্টাইন কৰা হৈছে। আজি আদালতৰ পৰা পোনে পোনে ৭ পুৰুষ কয়দীক কোৱাৰাণ্টাইনত ৰখা হ'ব। আজি দুপৰীয়া ডিব্ৰুগড় আৰক্ষীয়ে কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভায়েক বিশাল ফুকনসহ মুঠ ৮ কয়দীক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত ৰখাৰ লগতে চিবিআইৰ দলক তদন্তৰ কৰিবলৈ অনুমতি দিয়ে। শুকুৰবাৰে ডিব্ৰুগড় আৰক্ষীয়ে এখন ট্ৰেভেলাৰেৰে গুৱাহাটীলৈ আনিছিল চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক। কাইলৈ চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক চিবিআই আদালতত হাজিৰ কৰোৱা হ'ব। সোমবাৰে চিবিআইয়ে এই আটাইকেইজন অভিযুক্তক জেৰা কৰিব। পলাতক প্ৰৱঞ্চক দীপাংকৰ বৰ্মনৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰৰ তদন্ত কৰিব চিবিআইয়ে। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত বিশাল ফুকন আৰু ৰণজিৎ কাকতিৰ বিৰুদ্ধে ৩৫২/২৪ নম্বৰ আৰু ৩৫৪/২৪ নম্বৰত গোচৰ ৰুজু হৈছিল। বৰবৰুৱা আৰক্ষী থানাত বিশাল ফুকনৰ বিৰুদ্ধে ৮৫/২৪ নম্বৰত আন এটা গোচৰ ৰুজু হৈছিল। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ দায়িত্ব ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চিবিআইক অৰ্পণ কৰিছিল। যাৰ বাবে গুৱাহাটীলৈ চুমি বৰাসহ ৮ কয়দীক অনাৰ জল্পনা-কল্পনা আৰম্ভ হৈছিল। তাৰ পাছতে শুকুৰবাৰে ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বন্দী ৮ কয়দীক এখন ট্ৰেভেলাৰত গুৱাহাটীলৈ আনিছিল। ট্ৰেডিং কেলেংকাৰিৰ মুখ্য অভিযুক্ত আছিল বিশাল ফুকন। বিশাল ফুকনৰ সহযোগী বুলি চৰ্চিত চুমি বৰা আৰু তাৰ্কিক বৰা। প্ৰৱঞ্চক বিশাল ফুকনক গ্ৰেপ্তাৰৰ পাছতে চুমি বৰা আৰু তাৰ্কিকৰ কথা পোহৰলৈ আহে। বিশালৰ টকাৰে চুমি বৰাই কেইবা কোটি টকা খৰচ কৰি ৰাজস্থানৰ উদয়পুৰত বিয়া পতাৰ লগতে কাপোৰ, গাড়ী, বিদেশ ভ্ৰমণ আদি কৰাৰ নামত কোটি কোটি টকা খৰচৰ অভিযোগ উঠিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধুবুৰীত আকৌ নাও দুৰ্ঘটনা

জানিব পৰা গৈছে। সূৰ্যাস্তৰ আশে-পাশে সংঘটিত হৈছিল দুৰ্ঘটনাটো। নৈৰ বুকুত এন্ধাৰৰ বাবে তিনিখন নাওৰ মাজত সংঘৰ্ষ লাগিছিল। ফলত এখন নাঁৱৰ পৰা বহু লোক নৈৰ বুকুত সৰি পৰিছিল। এখন নাঁৱে শিশুকে ধৰি বিবাহ যাত্ৰীক কঢ়িয়াই নিছিল। আন দুখন নাৱে কাউনবাৰী অভিমুখে আহি থকাত মুখামুখি সংঘৰ্ষ লাগে। প্ৰত্যক্ষদৰ্শীসকলে কয় যে দুৰ্ঘটনাত যাত্ৰীসকল নৈত পৰি যোৱাত হাহাকাৰ লাগে। স্থানীয় আৰক্ষী আৰু ডুবাৰুসকলে নৈৰ মাজত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। একাংশ লোকে পুনৰ নাঁৱত উঠিবলৈ সক্ষম হয় যদিও ৫ শিশু নিৰুদ্দেশ হৈ থকা বুলি জানিব পৰা গৈছে। ২০জন লোকক উদ্ধাৰ কৰা হয়। আঘাতপ্ৰাপ্তসকলৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। যোগাযোগৰ অভাৱ, নৈৰ কোবাল সোঁত আৰু উৎসৱৰ বাবে নাও কেইখনত অত্যাধিক ভিৰ আছিল বাবেই দুৰ্ঘটনাটো সংঘটিত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ৰিপ্টকাৰেন্সিত ধন লাগে আলফাক

হৈ পৰিছে। জানিব পৰা মতে, উজনি অসমৰ ভিন্ন প্ৰান্তৰ কেবাগৰাকী ব্যৱসায়ীলৈ যোৱা ১৫ অক্টোবৰত ধন দাবী পত্ৰ প্ৰেৰণ কৰে আলফা স্বাধীনে। স্বাধীনতা দিৱসত ৰাজ্যৰ বিভিন্ন স্থানত বোমা সংস্থাপনেৰে ৰাজ্যবাসীক আতংকিত কৰি তোলাৰ ঘটনা মাৰ নৌযাওতেই পুনৰ আলফা স্বাধীনে এইদৰে বিভিন্নজনলৈ ধন দাবী পত্ৰ প্ৰেৰণ কৰা ঘটনাই স্বাভাৱিকতে সেই পত্ৰ লাভ কৰাসকলৰ মাজত সংশয়ৰ সৃষ্টি কৰিছে। আলফা স্বাধীনৰ বিত্ত বিভাগৰ সদস্য হিচাপে উল্লেখ থকা কেপ্টেইন অসীম অসম স্বাক্ষৰিত এনে ধন দাবী পত্ৰ ইতিমধ্যে উজনি অসমৰ বিভিন্ন ব্যৱসায়ীৰ হাতত আহি পৰিছে। পত্ৰখনত আলফা স্বাধীনে উল্লেখ কৰিছে যে সংগঠনৰ বিশেষ কামৰ বাবে প্ৰয়োজন হোৱাৰ বাবে বৰঙণি হিচাপে এই ধন বিচৰা হৈছে। আজিৰ দিনটো ধন দিয়াৰ অন্তিম তাৰিখ আছিল। নিৰ্ধাৰিত তাৰিখ ২৭ অক্টোবৰ ভিতৰত এই ধন পৰিশোধ কৰিব লাগিব বুলিও সকীয়াই দিয়া হৈছে এই পত্ৰত। অন্যথাই শাস্তিৰ সন্মুখীন হ'বলৈ সাজু থাকিবলৈও পৰোক্ষভাৱে সকীয়নি দিয়া হয়। আনহাতে এনে ধন দাবী পত্ৰ লাভ কৰা একাংশ ব্যৱসায়ীয়ে গোপনে আৰক্ষীৰ কাষ চাপিছে আৰু আন একাংশই এই কথা গোপনে ৰাখিছে বুলিও এক চৰ্চা চলিছে। আৰক্ষীক খবৰ দিলে পৰিস্থিতি বিষম হৈ পৰিব বুলিও আলফাই পত্ৰখনত সকীয়াই দিয়া দেখা গৈছে। ঘটনাটোক লৈ আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে যদিও সবিশেষ জানিব পৰা হোৱা নাই। ক্ৰিপ্ট'কাৰেন্সিযোগে ধন বিচৰা এই পত্ৰ আলফা স্বাধীনৰ নে আন কোনো লোকেহে এয়া প্ৰেৰণ কৰিছে সেয়া তদন্তৰ অন্তত আৰু আলফা স্বাধীনৰ পৰৱৰ্তী বিবৃতিতহে পোহৰলৈ আহিব।

# ইউএছটিএমৰ পি. এ. চাংমা চিকিৎসা মহাবিদ্যালয়ত এমবিবিএছৰ পাঠ্যক্ৰম মুকলি

## বিদেশী ছাত্ৰসহ ১৫০ জনৰ নামভৰ্তি, সহায়ৰ আশ্বাস কনৰাড চাংমাৰ




**ই-সংবাদ, ২৬ অক্টোবৰঃ** মেঘালয়ৰ ৰি-ভয় জিলাৰ টেকন' চিটিত স্থাপিত পি.এ. চাংমা আন্তৰ্জাতিক চিকিৎসা মহাবিদ্যালয়ৰ এমবিবিএছৰ পাঠ্যক্ৰম আজিৰে পৰা আনুষ্ঠানিকভাৱে আৰম্ভণি হয়। লোকসভাৰ প্ৰাক্তন অধ্যক্ষ, উত্তৰ-পূৰৰ বৰেণ্য ৰাজনীতিবিদ, মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত পি.এ চাংমাৰ নামত স্থাপিত ব্যক্তিগত খণ্ডৰ আন্তৰ্জাতিক চিকিৎসা মহাবিদ্যালয়খনৰ পাঠ্যক্ৰম পি.এ. চাংমাৰ সহধৰ্মিনী ড০ সুৱদিনী কে চাংমাৰ উপস্থিতিত আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। নেচনেল মেডিকেল কমিচনে স্বীকৃতি দিয়া চিকিৎসা মহাবিদ্যালয়খনে এইবাৰ ১৫০ খন আসন লাভ কৰিছে আৰু নামভৰ্তি সমাপ্ত হৈছে। বিদেশী ছাত্ৰই নামভৰ্তি কৰা বুলিও জানিব পৰা গৈছে। আজিৰে পৰা ১৫০ ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিকভাৱে পাঠ্যক্ৰম আৰম্ভণি কৰে। এই উপলক্ষে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় চমুকৈ ইউএছটিএমৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বিশেষ অনুষ্ঠান। উত্তৰ-পূৰৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত গীত-নৃত্যৰে চিকিৎসা মহাবিদ্যালয়খনৰ পাঠ্যক্ৰম মুকলি কৰা হয়। বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানে কেইবা হাজাৰ লোকক আপ্লুত কৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, মন্ত্ৰী ডা০ এ আমপিৰিং লিংটো, আবু তাহেৰ মণ্ডল, ডা০ বি ভাস্কৰ ৰাও, ইউএছটিএমৰ প্ৰতিষ্ঠাপক আচাৰ্য ড০ মহবুল হক, জ্যেষ্ঠ সাংবাদিক অদীপ কুমাৰ ফুকন, প্ৰশান্ত ৰাজগুৰু, সাংবাদিক ঋষি বৰুৱা আদি উপস্থিত থাকে। ইউএছটিএম কৰ্তৃপক্ষই এই চিকিৎসা মহাবিদ্যালয়খন গঢ়ি তুলিছে। বহু সংগ্ৰাম তথা ৰাজনৈতিক আক্ৰমণক কেৰেপে নকৰি গঢ়ি তোলা আন্তৰ্জাতিক চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা সেৱাৰ সমানে এমবিবিএছ পাঠ্যক্ৰম আৰম্ভ কৰি এক নতুন ইতিহাসৰ দিশে আগবাঢ়িছে। ২০১১ চনত স্থাপিত ইউএছটিএমে শিক্ষাৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উন্নত ফলাফল দেখুওৱাৰ লগতে গৱেষণামূলক কামতো সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ক্ৰীড়া, সাংস্কৃতিক দিশতো ছাত্ৰ-ছাত্ৰীসকলে কাম কৰি গৈছে। ইউএছটিএম কৰ্তৃপক্ষই নকৈ স্থাপন কৰা চিকিৎসা মহাবিদ্যালয়খনে চৰকাৰী স্বীকৃতি লাভৰ পাছতে উৎফুল্লিত হৈ পৰিছিল শিক্ষানুষ্ঠানৰ সৈতে জড়িতসকল। পি.এ. চাংমা আন্তৰ্জাতিক চিকিৎসা মহাবিদ্যালয় হৈছে ইউএছটিএমৰে অধীনস্থ এখন চিকিৎসা মহাবিদ্যালয়। চলিত বৰ্ষৰ পৰাই চিকিৎসা মহাবিদ্যালয়খনত আৰম্ভ হোৱা এমবিবিএছ পাঠ্যক্ৰমৰ আৰম্ভণি অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই ইউএছটিএমক সফল শিক্ষানুষ্ঠান আখ্যা দিয়ে। উন্নয়নৰ স্বাৰ্থতেই শিক্ষানুষ্ঠানখনক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যোৱাৰো প্ৰতিশ্ৰুতি দিয়ে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই।

# মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক

**ই-সংবাদ, মৰিগাঁও, ২৬ অক্টোবৰঃ** মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱ গঠিত কাৰ্যকৰী সমিতিখনৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা শুকুৰবাৰে বিয়লি জিলাখনৰ জাগী ভকতগাঁৱৰ সমূহীয়া ভৱনত অনুষ্ঠিত হয়। মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ আতিথ্যত আৰু জাগী ভকতগাঁও প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহযোগত অনুষ্ঠিত এই সভাৰ আৰম্ভণিতে মায়ং শিক্ষা খণ্ডৰ কেইবাগৰাকীও প্ৰয়াত শিক্ষাগুৰুলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰা হয়। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকাৰ সভাপতিত্বে অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে। সভাত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আগন্তুক শিশু দিৱসটি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বান মৰ্মে অনাশৈক্ষিক কাৰ্যত অংশগ্ৰহণ নকৰা, মৰিগাঁও জিলা সন্মিলনীৰ ডিজিটেল কোষৰ ব্যৱস্থাপনাত এখন ই-আলোচনী প্ৰকাশ কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত বক্তব্য আগবঢ়ায় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা ক্ৰমে গিৰিন্দ্ৰ খাটনিয়াৰ, মজিবুৰ ৰহমান, ভদ্ৰেশ্বৰ ডেকা, ৰাজ্যিক সদস্য নজৰুল ইছলাম, জিলা সন্মিলনীৰ উপ-সভাপতি হৰলাল মণ্ডল, সহকাৰী সম্পাদকদ্বয় ক্ৰমে প্ৰদীপ কুমাৰ নাথ আৰু ৰাজীৱ চহৰীয়া, মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি দীপক কুমাৰ মেধি, জিলা সন্মিলনীৰ ডিজিটেল কোষৰ সম্পাদক অনুপ কুমাৰ দাস, জাগী ভকতগাঁও কেন্দ্ৰৰ সভাপতি মিণ্টু কুমাৰ বৰঠাকুৰ প্ৰমুখ্যে বিষয়ববীয়াসকলে। মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাংস্কৃতিক বিভাগে সমবেত সংগীত পৰিৱেশন কৰি শুভাৰম্ভণি কৰা সভাখনত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াৰ লগতে মায়ং খণ্ডৰ বিভিন্ন কেন্দ্ৰৰ সভাপতি, সম্পাদক আৰু বিভিন্ন বিদ্যালয়ৰ শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

# পৰ্বতঝোৰাত যুৱকৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰক লৈ তীব্ৰ চাঞ্চল্য

**ই-সংবাদ, পৰ্বতঝোৰা, ২৬ অক্টোবৰঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বনাঞ্চলৰ মাজত আজি উদ্ধাৰ হয় এজন যুৱকৰ অৰ্ধগলিত মৃতদেহ। ইয়াকে লৈ সৃষ্টি হৈছে ব্যাপক চাঞ্চল্য। উদ্ধাৰ হোৱা মৃতদেহটো এডাল গছত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে পৰ্বতঝোৰা বনাঞ্চলৰ চুপাৰিঘাটৰ ঘন অৰণ্যৰ মাজত মৃতদেহটো উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত যুৱকজন আলমগঞ্জ বজাৰৰ নিকটৱৰ্তী থুৰীয়া পাহাৰৰ আব্দুল মতিন ফকীৰ বুলি চিনাক্ত কৰা হৈছে। যুৱকজন যোৱা ২০ অক্টোবৰৰ পৰা নিৰুদ্দেশ হৈ আছিল বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। ইপিনে, মৃতদেহ উদ্ধাৰ হোৱা পাছতহে ঘটনাস্থলীত দণ্ডাধীশৰ সৈতে উপস্থিত হয় স্থানীয় আৰক্ষী প্ৰশাসন। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰ জিলালৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। মন কৰিবলগীয়া যে আৰক্ষীৰ তদন্তৰ অন্ততহে এয়া প্ৰকৃততে আত্মহত্যা নে পৰিকল্পিত হত্যাকাণ্ড, সেয়া ওলাই পৰিব।



হাতে হাত ধৰি ৰাজনীতিত আগুৱাৰ মন! বঙাইগাঁৱত দীপ্তিময়ী চৌধুৰীয়ে মনোনয়ন দাখিল কৰাৰ পাছৰ দৃশ্য

# ক্ষতিপূৰণ বিচাৰি মৰিয়নীত আছাৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিয়নি, ২৬ অক্টোবৰঃ** যোৰহাট জিলাৰ মৰিয়নী বনাঞ্চলিক কাৰ্যালয় এলেকাত বন্যহস্তীয়ে বিভিন্ন সময়ত ৰাইজক ক্ষতিগ্ৰস্ত কৰি অহাৰ পিছত উক্ত ৰাইজক ক্ষতিপূৰণ দিয়াৰ দাবীত আজি মৰিয়নী বনাঞ্চলিক কাৰ্যালয়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কাৰ্যালয়টো ঘেৰাও কৰে আছাৰ যোৰহাট জিলা সমিতিয়ে। উল্লেখ্য যে মৰিয়নীত গিবনৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ উপদ্ৰৱত ক্ষতিগ্ৰস্ত লোকৰ ক্ষতিপূৰণ তথা বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰাৰ দাবী তুলি আছাই এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। এই প্ৰতিবাদস্থলীৰ পৰাই মৰিয়নী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ যোগেদি যোৰহাট সংমণ্ডলৰ বন প্ৰাধিকাৰীলৈ 'আছা'ৰ যোৰহাট জিলা সমিতিৰ সভাপতি অজয় বৰাইক, সাধাৰণ সম্পাদক ৰাজু কিস্কু আৰু 'আছা'ৰ মৰিয়নী আঞ্চলিক সমিতিৰ সভাপতি পাপু পাত্ৰ, সম্পাদক ৰুচন তাঁতী স্বাক্ষৰিত ছয় দফীয়া দাবী সন্মিলিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ দাঁতি কাষৰীয়া লোকক নিৰাপত্তা প্ৰদান কৰা, হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ বাবে হ্ৰস্ব আৰু দীৰ্ঘম্যাদী স্থায়ী আঁচনি হাতত লোৱা, বনৰীয়া হাতীৰ আক্ৰমণৰ পৰা ধন-জনৰ নিৰাপত্তা সুনিশ্চিত কৰা, বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা খেতিপথাৰ ৰক্ষা কৰাৰ ব্যৱস্থা কৰা, ক্ষতিগ্ৰস্থ লোকসকলক এক মাহৰ ভিতৰত উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰা, বনৰীয়া হাতী জনবসতিপূৰ্ণ অঞ্চলত প্ৰৱেশ কৰাৰ সময়ত বন বিভাগে হাতীজাককে বিধিগতভাৱে খেদাৰ ব্যৱস্থা কৰাবলৈ দাবী উত্থাপন কৰে।

## মাজুলীত আছুৰ বিক্ষোভ কাৰ্যসূচী, জংঘী আন্দোলনৰ হুংকাৰ

# ৰাজহ চক্ৰৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত বাতিলৰ দাবীত উত্তাল ফুলনি

**ই-সংবাদ, মাজুলী, ২৬ অক্টোবৰঃ** উজনি মাজুলী ৰাজহ চক্ৰ কাৰ্যালয়ৰ কাম-কাজ বন্ধ কৰাৰ লগতে অসমৰ প্ৰায় ৩৬ টা ৰাজহ চক্ৰ কাৰ্যালয় বন্ধ কৰাৰ প্ৰতিবাদ জনাই আজি জেংৰাই আঞ্চলিক ছাত্ৰ সন্থা, ভকতিদুৱাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু গেজেৰা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলীৰ দুটা ৰাজহ চক্ৰৰ ভিতৰত উজনি মাজুলী ৰাজহ চক্ৰটো গুৰুত্বপূৰ্ণ। উজনি মাজুলীবাসীয়ে এই চক্ৰটোৰ জৰিয়তে সহজতে কাম-কাজ কৰি আহিছিল। কিন্তু এই ৰাজহ চক্ৰটো বন্ধ কৰি দিয়াত বিপাঙত পৰিছে লোকসকল। আজি মাজুলীৰ ফুলনি চাৰিআলিত কৰা এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে শাসক চৰকাৰলৈ এই কাৰ্যালয়টো বন্ধ কৰাৰ সিদ্ধান্ত বাতিল কৰাৰ স্পষ্ট দাবী জনায় আছুৱে। অন্যথা উজনিবাসী ৰাইজৰ সহযোগত ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে। আন্দোলনৰ কাৰ্যসূচীত উপস্থিত থাকে আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভুঞা, অজিত হাজৰিকা, ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া, সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱাকে প্ৰমুখ্য কৰি আছুৰ শতাধিক সদস্য আৰু স্থায়ীয় ৰাইজ। আছুৰ স্পষ্ট মত- কোনো কাৰণত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধৰ সিদ্ধান্ত মানি নলয় আছুৱে। বিক্ষোভ কাৰ্যসূচীত অসম চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী হায় হায়, ৰাজহ মন্ত্ৰী গ' বেক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

## আছে গৰু নাবাই হাল, থকাতকৈ নথকাই ভাল

# হায় বন বিভাগ! অফিচ, নামফলক আছে, নাই বিষয়া-কৰ্মচাৰী

**ই-সংবাদ, ডুমডুমা, ২৬ অক্টোবৰঃ** চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাইস্থিত ডুমডুমা সংমণ্ডলৰ বন-সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ পৰা প্ৰায় ৫০০ মিটাৰ নিলগৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰূপাই চাইডিং বজাৰৰ এটা ব্যৱসায়িক প্ৰতিষ্ঠান তথা গৃহৰ বাৰাণ্ডাত বছৰ-বছৰ ধৰি ওলমি থকা ডিব্ৰুগড় বন সংমণ্ডলৰ অধীনস্থ এটা বন বিভাগৰ কাৰ্যালয়ৰ কাহিনী শুনিলে চকু কপালত উঠিব। অবিশ্বাস্য হ'লেও সত্য যে, অসম চৰকাৰৰ ডিব্ৰুগড় বন সংমণ্ডলৰ অধীনস্থ ৰূপাই উপ-খণ্ড বন কাৰ্যালয়টো বছৰ-বছৰ ধৰি এটা ব্যৱসায়িক প্ৰতিষ্ঠান তথা গৃহৰ বাৰাণ্ডাতেই কেৱল এখন ফলক আঁৰিয়েই চলাই আহিছে অসম চৰকাৰৰ বিয়াগোম বন বিভাগে। উল্লেখ্য যে, চাহ নগৰী ডুমডুমাৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ নিলগৰ ৰূপাই চাইডিঙস্থিত বন বিভাগৰ এই কাৰ্যালয়টো এনেদৰে বছৰ বছৰ ধৰি কেৱল ফলক লগাই চলি থকাৰ ঘটনা সংঘটিত হৈ আহিছে যদিও আজি পৰ্যন্ত চৰকাৰে চকু মুদা কুলিৰ ভাও ধৰি থকা বুলি ক'লেও ভুল কোৱা নহ'ব। কাৰ্যালয়টোৰ পৰা কেৱল প্ৰায় পাঁচশ মিটাৰ নিলগৰ ডুমডুমা বনসংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়টো থকাৰ অজুহাততেই অসম চৰকাৰৰ বিয়াগোম বন বিভাগে এনেদৰে কেৱল ফলক এখন আঁৰিয়েই বছৰ-বছৰ ধৰি ডিব্ৰুগড় বন সংমণ্ডলৰ উক্ত কাৰ্যালয়টো কেৱল চমক দেখুৱাবলৈকে এনেদৰে চলাই অহা বুলি এতিয়া সৰ্বত্ৰে চৰ্চা আৰম্ভ হৈছে। কাৰ্যালয়টোৰ এনে দুৰৱস্থা সন্দৰ্ভত এই প্ৰতিবেদকে স্থানীয় কেবাজনো ব্যক্তি তথা ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী-কৰ্মচাৰীক সোধাত তেওঁলোকে কাৰ্যালয়টোত আজি বহুদিনৰ পৰা কোনো বিষয়া-কৰ্মচাৰীক কাৰ্যালয়টোলৈ অহা দেখা নাই বা কাৰ্যালয়টোত বহি কৰ্তব্য সম্পাদন কৰা দেখা নাই বুলি জানিবলৈ দিয়ে। আনহাতে, এই সন্দৰ্ভত অলপতে ডুমডুমা বনসংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ত উপস্থিত হৈ কাৰ্যালয়টো সন্দৰ্ভত ডুমডুমা বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰ এগৰাকী বিষয়াক সোধাত কাৰ্যালয়টো ডিব্ৰুগড় বন সংমণ্ডলৰ অধীনস্থ বুলি কৈ এই ক্ষেত্ৰত




সম্পূৰ্ণ অজ্ঞতাহে প্ৰকাশ কৰে। মুঠৰ ওপৰত, কাৰ্যালয়টোত আজিৰ তাৰিখত নাই কোনো বিষয়া-কৰ্মচাৰী; আছে মাথোঁ এখন নামফলক, নাই কোনো কাম-দায়িত্ব। 'আছে গৰু নাবাই হাল, থকাতকৈ নথকাই ভাল' - বোলা আপ্তবাক্যশাৰী যেন এই কাৰ্যালয়টোৰ ক্ষেত্ৰত সম্পূৰ্ণ প্ৰযোজ্য হৈছে। যি সময়ত অসমৰ জনপ্ৰিয়, কৰ্মদক্ষ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চৰকাৰী কাৰ্যালয়ত কৰ্ম-সংস্কৃতিৰ আমূল পৰিৱৰ্তন সাধন হোৱা বুলি বিভিন্ন সময়ত দাবী কৰি আহিছে, সেই সময়তে তিনিচুকীয়া জিলাৰ চাহনগৰী ডুমডুমাৰ ৰূপাই চাইডিঙস্থিত বনবিভাগৰ এটা কাৰ্যালয়ৰ এনে কৰ্ম-সংস্কৃতিৰ ফোঁপোলা স্বৰূপটো উন্মোচিত হোৱাত চৰকাৰ তথা বিয়াগোম বনবিভাগে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া নিশ্চয় লক্ষণীয় হ'ব

# নীলবাগানত দুটা পথৰ আধাৰশিলা স্থাপন বিধায়ক ছিৰাজুদ্দিন আজমলৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৬ অক্টোবৰঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ কাৰণে হোজাইৰ বিন্নাকান্দি সমষ্টিত এআইইউডিএফ দলে ব্যাপক নিৰ্বাচনী সভা-সমিতি আৰম্ভ কৰিছে। আজি দিনৰ তিনি বজাত নৱগঠিত বিন্নাকান্দি সমষ্টিৰ আশীনগৰ মধ্য ইংৰাজী বিদ্যালয়ত ইছলাম নগৰ, বাৰফুটি, হিন্দুব্লক, গোপাল নগৰ আদি নতুনকৈ সমষ্টিত বিন্নাকান্দিৰ সৈতে সংযোগ হোৱা পঞ্চায়তকেইখনক সামৰি এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। জেহিৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত মুখ্য অথিতি হিচাপে বিন্নাকান্দি সমষ্টিৰ বিধায়ক ছিৰাজুদ্দিন আজমল উপস্থিত থাকি শৈক্ষিক দিশৰ অগ্ৰগতি সন্দৰ্ভত ভক্তব্য প্ৰদান কৰি কয় যে আশীনগৰ মধ্য ইংৰাজী বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতিকৰণৰ কাৰণে মই শিক্ষা বিভাগৰ সৈতে আলোচনা আৰম্ভ কৰিম। যিমান সম্ভৱ সোনকালে বিদ্যালয় আপগ্ৰেড কৰিবলৈ প্ৰয়াস কৰি যাম আৰু ৰাজ্যৰ শিক্ষামন্ত্ৰীৰ লগতে অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ প্ৰয়োজন হ'ব বুলি বিধায়কগৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। সভাত বিধায়কৰ ৰাজনৈতিক সচিব আকবৰ আলীয়ে বিধায়কৰ কাম-কাজসমূহ ৰাইজৰ আহত দাঙি ধৰাৰ লগতে নতুন কৈ নিৰ্মাণ হ'বলগীয়া ৰাস্তাসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। সভাত দলৰ হোজাই জিলা কমিটীৰ সভাপতি হেলাল উদ্দিন, হোজাই বিধানসভা সমষ্টিৰ সভাপতি আৰিফ উদ্দিন, বিন্নাকান্দি সমষ্টি কমিটীৰ সভাপতি জহিৰুল ইছলাম চৌধুৰী, দলৰ হোজাই জিলা যুৱ মৰ্চাৰ সভাপতি নজৰুল ইছলামসহ বহু গণ্য মান্য ব্যক্তি উপস্থিত থকা সভাত কেবা শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে। ইফালে, সন্ধিয়াৰ পূৰ্বে নীলবাগান সাপ্তাহিক বজাৰত ২০২৩-২৪ বৰ্ষৰ MMPPNN ৰ অধীনত আৱণ্টিত নীলবাগান বজাৰৰ পৰা সদৰ গাঁও তিনিআলিলৈ আৰু নীলবাগান তিনি আলীৰ পৰা নীলবাগান তিনিআলিলৈ পথ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে বিধায়ক ছিৰাজুদ্দিন আজমলে। অনুষ্ঠানত হোজাই লোক নিৰ্মাণ পথ বিভাগৰ বিষয়া, অভিযন্তা ৰুস্তম আলী, অৰূপ দাস, আনচাৰী আৰু কামৰ ঠিকা লাভ কৰা বাবু বৰা সহ অন্যান্যসকল উপস্থিত থাকে। উক্ত আধাৰশিলা অনুষ্ঠানত স্থানীয় ৰাইজ উপস্থিত থাকে।

## মহানগৰীৰ মণিৰাম দেৱান ট্ৰেড চেন্টাৰত আড়ম্বৰপূৰ্ণ অনুষ্ঠান

# টাটা ইনষ্টিটিউট অৱ ছ'চিয়েল ছায়েন্সেছৰ ১১ সংখ্যক সমাৱৰ্তন



**গুৱাহাটী, ২৫ অক্টোবৰঃ** টাটা ইনষ্টিটিউট অব ছ'চিয়েল ছায়েন্সেছ চমুকৈ টিআইএছএছৰ ১১ সংখ্যক সমাৱৰ্তন যোৱা ২৫ অক্টোবৰত মহানগৰীৰ মণিৰাম দেৱান ট্ৰেড চেন্টাৰত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। টিছৰ আচাৰ্য অধ্যাপক ডি পি সিঙৰ লগতে আন কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত এই সমাৰৰ্তনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ইউনিভাৰ্ছিটি অব ছায়েন্স এণ্ড টেকন'লজি, মেঘালয় (ইউএছটিএম)ৰ উপাচাৰ্য অধ্যাপক গৌৰীদত্ত শৰ্মাই। বন্তি প্ৰজ্বলন আৰু সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে প্ৰ'-উপাচাৰ্য অধ্যাপক শংকৰ দাসে। তেওঁ নিজৰ ভাষণত উপস্থিত থকা অতিথিসকলক আদৰণি জনোৱাৰ লগতে শিক্ষাগ্ৰহণ সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনায়। 'নাক'ৰ মূল্যায়নত এ+ লাভ কৰা তথা সমাজ বিজ্ঞানৰ শিক্ষাৰ ক্ষেত্ৰত আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গৰিমা অক্ষুন্ন ৰখা টিছৰ আজি অনুষ্ঠিত সমাৱৰ্তনত ১৬৫ গৰাকী শিক্ষাৰ্থীয়ে সুখ্যাতিৰে পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণ পত্ৰ লাভ কৰে। ইয়াৰে ৫গৰাকী হৈছে সমাজ বিজ্ঞানৰ পিএইছডি গৱেষক, ১১২ গৰাকী স্নাতকোত্তৰ আৰু ৪৮ গৰাকী স্নাতকৰ শিক্ষাৰ্থী। দেশৰ ২০ খন ৰাজ্য, এখন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু দুই চুবুৰীয়া ৰাষ্ট্ৰ ভুটান আৰু নেপালৰ এইসকল সফল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ জৰিয়তে নিজৰ লগতে সমাজখনক আলোকিত কৰি তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে আচাৰ্য ডি পি সিঙে। মুখ্য অতিথি গৌৰী দত্ত শৰ্মাই ১৩ গৰাকী কৃতী শিক্ষাৰ্থীক মেডেল প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ টিছৰ সামাজিক দায়বদ্ধতাৰ প্ৰশংসা কৰে। তেওঁ কয়,"উত্তৰ-পূব ভাৰতৰ বৈচিত্ৰ্যতাৰে ভৰা সমাজখনক বুজি পাবলৈ আৰু নিজা দৃষ্টিভংগীৰে সমাজৰ লোকসকলক জানিবলৈ আৰু বুজিবলৈ সমাজ বিজ্ঞান অধ্যয়ন কৰাতো অতিশয় প্ৰয়োজনীয়। এই বৈচিত্ৰ্যতাক মূলধন কৰিয়েই আমি সমাজখনত সুস্থিৰতা আৰু শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিব পাৰো।" নিজৰ ভাষণত ইউএছটিএমৰ উপাচাৰ্যগৰাকীয়ে টিছৰ পাঠ্যক্ৰমে বৰ্তমানৰ জটিল সন্ধিক্ষণ ব্যতিক্ৰমী চিন্তাধাৰা, সমালোচনাত্মক দৃষ্টিভংগী আৰু বহল মানসিকতাক প্ৰাধান্য দি অহা কাৰ্যকো ভূয়সী প্ৰশংসা কৰে। আজিৰ এই সমাৰৰ্তনত ডিগ্ৰী প্ৰদান কৰাৰ লগতে বিভিন্ন শিতানত সফলতা লাভ কৰা শিক্ষাৰ্থীসকলৰ মাজত পুৰস্কাৰো বিতৰণ কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক কল্পনা সাৰথিয়ে।

# পদ্মনাথ গোহাঞিি কলেজত বিশেষ কৰ্মশালা

**ই-সংবাদ, ডুমডুমা, ২৬ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ নিলগৰ ডিৰাকস্থিত পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত আজি আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ উদ্যোগত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু গৱেষণা পদ্ধতি বিষয়ক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পৰীক্ষা নিয়ন্ত্ৰক তথা বিশিষ্ট কম্পিউটাৰ বিজ্ঞানী ড০ ছাদিক হুছেইনে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাখনত আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ঠানুৰাম মজিন্দাৰে। ড০ ছাদিক হুছেইনে ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ আধাৰত আৰম্ভ হোৱা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমলৈ অহা শিক্ষা আৰু মূল্যায়ন সম্পৰ্কীয় পৰিৱৰ্তনসমূহৰ বিষয়ে অৱগত কৰে। একাডেমিক বেংক অৱ ক্ৰেডিটৰ গুৰুত্ব, মূল্যায়নৰ নম্বৰ বিভাজন, আভ্যন্তৰীণ মূল্যায়নৰ নিয়মাৱলী, চাৰ্টিফিকেট-ডিপ্ল'মা তথা ডিগ্ৰী প্ৰদান সম্পৰ্কে থকা নীতি-নিৰ্দেশনাসমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰসংগতো তেওঁ বক্তব্য ৰাখে। তেওঁ "Effective Research Writing and Ethics in Research Publishing" - শীৰ্ষক এক বক্তৃতাও আগবঢ়ায়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণয় কোষৰ সমন্বয়ক ইলা ডেকাই আঁত ধৰা কৰ্মশালাখনত শলাগৰ শৰাই আগবঢ়ায় অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ আজিজুৰ ৰহমানে। দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা কৰ্মশালাত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে মত-বিনিময়তো অংশ ল'য়। অনুষ্ঠানটোত অতিথি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰণ কাৰ্যালয়ৰ বিষয়া জিতেন সোণোৱালো উপস্থিত থাকে।

## একীভূত ক্ষুদ্ৰ সচিবালয় নিৰ্মাণত সংঘটিত বিয়াগোম কেলেংকাৰী

# দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ বাবেই স্তব্ধ হৈ পৰিছে মাজুলীৰ উন্নয়ন

**ই-সংবাদ, মাজুলী, ২৬ অক্টোবৰঃ** প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰে ভৌগোলিকভাৱে বিচ্ছিন্ন উন্নয়নশীল মাজুলী মহকুমাটোত বাস কৰা প্ৰায় দুই লক্ষ জনগণৰ উন্নয়ন উজলাই তুলিবলৈ গ্ৰহণ কৰিছিল বিশেষ পদক্ষেপ। সেই পদক্ষেপৰ ফলশ্ৰুতিত অসমৰ বিজেপি চৰকাৰে অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে মাজুলীৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত কেবিনেট বৈঠক বহুৱাই মাজুলীক দ্বিতীয় দিছপুৰলৈ ৰূপান্তৰ কৰি মাজুলীক মহকুমাৰ পৰা জিলালৈ উন্নীতকৰণ কৰিলে। তাৰ পৰৱৰ্তী সময়ত মাজুলীৰ জনসাধাৰণক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগৰ লগত সমানে আগুৱাই নিবৰ কাৰণে সকলো দিশৰ উন্নয়ন সাধনৰ লক্ষ্যৰে নিৰ্মাণ কাৰ্য আৰম্ভ কিৰিছিল একীভূত জিলা প্ৰশাসনিক কাৰ্যলয়ৰ প্ৰকল্প তথা মিনি সাচিৱালয়ৰ। কিন্তু বিজেপি চৰকাৰে প্ৰথম কাৰ্যকালত ইয়াৰ নিৰ্মাণ কাৰ্য অতি দ্ৰুত গতিৰে আগবঢ়াইছিল যদিও সেই সময়ত আহি পৰা বিভিন্ন কাৰণৰ বাবে সম্পূৰ্ণ কৰিব নোৱাৰিলে আৰু বৰ্তমানেও এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিবলৈ বাকী আছে। কিন্তু বৰ্তমান এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্যত চলিছে ব্যাপক অনিয়ম। এই অনিয়ম সংঘটিত কৰিছে নিৰ্মাণকাৰী ঠিকাদাৰে। বৃহৎ আৰু আধুনিক ধ্যান-ধাৰণাৰে নিৰ্মাণ সম্পূৰ্ণ হ'বলগীয়া এই প্ৰকল্প নিৰ্মাণত ঠিকাদাৰে জোৰা-টাপলি মাৰি কোনোৰকম নিৰ্মাণ কৰিছে মাজুলীৰ এই মিনি সচিবালয়। যাৰ ফলস্বৰূপে নিৰ্মাণৰত মিনি সচিবালয়টোৰ পকী বেৰত মেলিছে বৃহৎ বৃহৎ ফাঁট। চৰকাৰে বান্ধি দিয়া নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত এই নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ কৰিব পৰা নাই ঠিকাদাৰে। নিৰ্মাণ কাৰ্যত অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰিপ্ৰেক্ষিতত এনেদৰে পকী বেৰ ফাঁটি যোৱা বুলি প্ৰত্যক্ষদৰ্শী আৰু স্থানীয় ৰাইজৰ মাজত গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ৫০ কোটিৰো অধিক টকাৰে ২০১৭ চনৰ পৰা নিৰ্মাণ কৰি থকা ঘৰটো ২০২৪ বৰ্ষৰ শেষতো সম্পূৰ্ণ কৰা নাই ঠিকাদাৰে। মাজুলীৰ প্ৰাক্তন বিধায়ক তথা অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ জনসাধাৰণৰ সুবিধাৰ বাবে জিলাখনৰ প্ৰতিটো জিলা কাৰ্যালয়ক একত্ৰিত কৰি মিনি সচিবালয়ৰ আৰ্হিৰে এই আয়ুক্ত সংহত ভৱনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল স্বয়ং মুখ্যমন্ত্ৰীয়ে। এই ক্ষেত্ৰত বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি গ্ৰহণ কৰিছিল বিশেষ পদক্ষেপ। পৰিতাপৰ বিষয় যে বিগত সাত বছৰেও সম্পূৰ্ণ কৰিব নোৱাৰিলে এই মিনি সচিবালয়। কেৱল একাংশ দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে চাৰখাৰ কৰিলে সেই সময়ৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সপোন তথা অসম চৰকাৰৰ ঐতিহাসিক সিদ্ধান্ত। উল্লেখ্য যে, মাজুলীৰ এই মিনি সচিবালয় নিৰ্মাণৰ দায়িত্ব প্ৰথমে গুৱাহাটীৰ মুনাফ আহমেদ নামৰ এজন ঠিকাদাৰে পাইছিল। কিন্তু ঠিকাদাৰগৰাকীৰ নিৰ্মাণ কাৰ্যৰ আসোঁৱাহৰ পৰিপেক্ষিতত মাজুলীৰ দত্ত উপধিৰ এজন উপ-ঠিকাদাৰে এই কামৰ দায়িত্ব পাইছিল। দুৰ্ভাগ্যজনক বিষয় যে, দুই জন দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ অকৰ্মন্যতা আৰু দুৰ্নীতিৰ বাবেই মাজুলীৰ এই সম্পদ এতিয়া অসুৰক্ষিত। এই নিৰ্মাণকাৰ্যত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ সম্ভেদ পাই কিছুদিন পূৰ্বে মাজুলীৰ পৰা বদলি হৈ যোৱা আয়ুক্তগৰাকীয়ে নিৰ্মাণ কাৰ্যত ব্যৱহাৰ কৰা নিম্নমানৰ সামগ্ৰী আঁতৰাই ঠিকাদাৰক ধমকি দি উন্নতমানৰ সামগ্ৰী ব্যৱহাৰ কৰাবলৈ বাধ্য কৰাইছিল। নৱনিৰ্মিত এই সচিবালয়ৰ নিৰ্মাণ সম্পূৰ্ণ কৰি চৰকাৰৰ সকলো বিলাক বিভাগ সংস্থাপনেৰে মিনি সচিবালয়ৰ কাম-কাজ আৰম্ভ নৌহওঁতেই নতুন গৃহত দেখা দিয়া এনে অনিয়ম, কেলেংকাৰিৰ পৰিপেক্ষিত ভৱিষ্যতে সেই স্থানত কৰ্মৰত বিষয়া, কৰ্মচাৰী, জনসাধাৰণ কেনেকৈ সুৰক্ষিত হ'ব তাকে লৈ মাজুলীৰ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। সচেতন ৰাইজে প্ৰত্যক্ষভাৱে ইয়াৰ বাবে লোক নিৰ্মাণ বিভাগক জগৰীয়া কৰিছে। ৰাইজৰ অভিযোগৰ ভিত্তিত সাংবাদিকৰ চৰজমিন তদন্তত পোহৰলৈ আহিছে এই বৃহৎ দুৰ্নীতি। মাজুলীৰ সচেতন ৰাইজে এই সমগ্ৰ বিষয়টিৰ উচিত তদন্তৰ দাবী তুলিছে।

# বহিঃৰাজ্যত নিৰুদ্দেশ কাকপথাৰৰ চাৰি কন্যা সন্তানৰ পিতৃ গোলাপ দুৱৰা

**ই-সংবাদ, ডুমডুমা, ২৬ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত হাঁহখাটি গন্ধেগুৰি গাঁৱৰ চাৰি কন্যা সন্তানৰ পিতৃ গোলাপ দুৱৰা(৩৮) যোৱা ১৭ অক্টোবৰৰ নিশাৰ পৰাই নিৰুদ্দেশ হৈ আছে। জানিব পৰা মতে, বাংগালোৰ এক্সপ্ৰেছত চাফাই কৰ্মীৰূপে কৰ্মৰত গোলাপ দুৱৰাই ১৭ অক্টোবৰৰ নিশা প্ৰায় ৯:৩০ বজাত নিজৰ কৰ্তব্য সামৰি ৰামপুৰ জংচনত আহাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা আজিপৰ্যন্ত পৰিয়ালৰ লোকৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ আছে। অন্যহাতে, গোলাপ দুৱৰাৰ লগত বাংগালোৰলৈ যোৱা কৌশিক নামৰব্যক্তিজনৰ লগত পৰিয়ালটিয়ে যোগাযোগ কৰাত তেওঁৰ বেগ আৰু ম'বাইল ফোনটো পোৱা গৈছে বুলি পৰিয়ালৰ লোকক জানিবলৈ দিয়ে যদিও এই পৰ্যন্ত গোলাপ দুৱৰাৰ কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই পৰিয়ালটিয়ে। ফলত দুৰ্ভগীয়া পৰিয়ালটিৰ মূৰত একপ্ৰকাৰ সৰগ ভাগি পৰাৰ দৰে হৈছে। দৰিদ্ৰ পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জনকাৰী গোলাপ দুৱৰাৰ পত্নী, চাৰি কন্যা আৰু পৰিয়ালৰ লোকে এতিয়া তেওঁ সোঁ-শৰীৰে ঘৰলৈ ঘূৰি অহালৈ গভীৰ আশাৰে বাট চাই ৰৈছে। গাঁওবাসীয়েও গোলাপ দুৱৰা সুস্থ-শৰীৰে ঘৰলৈ উভতি অহাৰ কামনা কৰিছে। ইতিমধ্যে, পৰিয়ালৰ লোকে স্থানীয় কাকপথাৰ আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰাৰ লগতে ৰে'ল আৰক্ষীকো এই সন্দৰ্ভত অভিযোগ দাখিল কৰিছে। আনহাতে, গোলাপ দুৱৰাৰ সন্ধান উলিয়াই দিবলৈ আৰক্ষী-প্ৰশাসনৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহবান জনাইছে পৰিয়ালটিয়ে।

# পৰৱৰ্তী ৰাউণ্ডত চন্দ্ৰ কমল কলেজ

**ই-সংবাদ, যোৰহাট, ২৬ অক্টোবৰঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তত্বাৱধানত বাহনা মহাবিদ্যালয়ৰ অভ্যৰ্থনাত কালিৰে পৰা বাহনা খেল পথাৰত অনুষ্ঠিত হোৱা "ই" মণ্ডলৰ প্ৰথমখন খেলত টীয়ক চন্দ্ৰ কমল বানিজ্য মহাবিদ্যালয়ে যোৰহাট চন্দ্ৰ কমল বাণিজ্য মহাবিদ্যালয়ক ২-১ গ'লত পৰাভূত কৰি পৰৱৰ্তী ৰাউণ্ডত উপনীত হৈছে। টীয়ক চন্দ্ৰ কমল বাণিজ্য মহাবিদ্যালয়ৰ হৈ গ'ল দুটা দিয়ে শিৱ কুমাৰ আৰু সুমন মিলিয়ে। আনহাতে যোৰহাট চন্দ্ৰ কমল বানিজ্য মহাবিদ্যালয়ৰ হৈ একমাত্ৰ গ'লটো দিয়ে মাধুৰ্য গগৈয়ে। উল্লেখযোগ্য যে আজি খেলৰ প্ৰাকক্ষণৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ৰঞ্জিত পেগুয়ে আঁতধৰা অনুষ্ঠানত প্ৰবীণ ক্ৰীড়া সংগঠক যতীন শইকীয়া, প্ৰতিযোগিতাখনিৰ পৰ্যবেক্ষক যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপক নৃপেন শইকীয়াৰ উপস্থিতিত প্ৰতিযোগিতাখনি উদ্বোধন কৰে বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ চুম্বিত চলিহাই।

# নামতিত দিবা-নৈশ ক্ৰিকেট

**ই-সংবাদ, আমগুৰি, ২৬ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি চাৰি আলি যুৱ সমাজৰ উদ্যোগত, মেট্ৰ ক্লাবৰ সৌজন্যত আৰু বৃহত্তৰ নামতিবাসী ৰাইজৰ সহযোগত ষষ্ঠদশ বাৰ্ষিক মেগা প্ৰাইজমানি দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। নামতি চাৰিআলি হাইস্কুল খেলপথাৰত অহা ৯ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখনৰ উদ্দেশ্যে ইতিমধ্যে হাফিজ আহমেদক সভাপতি, মইনুদ্দিন আহমেদ আৰু নুৰতদ্দিন আহমেদক কাৰ্যকৰী সভাপতি, সম্পাদক হিচাপে নাচিৰুদ্দিন আহমেদ, ৰিমুল হুচেইন আৰু জাকিৰ হুচেইনক লৈ এখন শক্তিশালী সমিতে গঠন কৰা হয়। প্ৰতিযোগিতাখনৰ সৰ্বমুঠ প্ৰাইজমাণি ৭,০০,০০০/- (সাত লাখ) টকা। উদ্যোক্তাসকলে জনোৱা মতে, ৩২ টা দলক অংশ গ্ৰহণৰ ব্যৱস্থা কৰা উক্ত প্ৰতিযোগিতাখনৰ যোগদানৰ মাচুল ২০,০০০/- (বিশ হাজাৰ) টকা। ইচ্ছুক দলসমূহে অহা ২৫ নৱেম্বৰৰ ভিতৰত ৯৯৫৭৭৮৫৮৫৯, ৯৯৫৪৫৪৪৯৪৫, ৯৯৫৪৫৪২২৩৪, ৭৮৯৬১৬২৯১৯ নম্বৰত যোগাযোগ কৰিব পাৰিব।



উইকেট দখলৰ পিছ মিশ্বেল ছেন্টনাৰ



ভাৰতৰ বিৰুদ্ধে টেষ্ট শৃংখলা দখলৰ পিছত কিৱি বাহিনীৰ উল্লাস, পুণেত দেওবাৰে

## পুণেৰ দ্বিতীয় টেষ্টতো শোচনীয় পৰাজয় ৰোহিত বাহিনীৰ

# ভাৰতৰ মাটিত টেষ্ট শৃংখলা দখল নিউজিলেণ্ডৰ

**পুণে, ২৬ অক্টোবৰঃ** ঘৰুৱা মাটিত সুদীৰ্ঘ ১২ বছৰৰ অন্তত প্ৰথমবাৰৰ বাবে টেষ্ট শৃংখলাত পৰাস্ত হ'ল ভাৰত। শনিবাৰে পুণেত চলি থকা দ্বিতীয়খন টেষ্টত ৰোহিত বাহিনীক নিউজিলেণ্ডে মাত্ৰ ৩টা দিনতে ১১৩ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ লগে লগে এখন মেচ বাকী থকা অৱস্থাতে তিনিখন মেচৰ টেষ্ট শৃংখলাত জয়ী হয় কিৱি বাহিনী। বৰ্ষাবিঘ্নিত বাংগালুৰু টেষ্টত পৰাজয়ৰ পিছত দ্বিতীয় টেষ্টত আত্মবিশ্বাসেৰে অৱতীৰ্ণ হৈছিল টম লাথাম নেতৃত্বাধীন দলটো। টছত জয়ী হৈ বেটিঙৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰথম ইনিংছত মাত্ৰ ২৫৯ ৰান সংগ্ৰহেৰে ভাৰতক কিছু সম্ভাৱনা প্ৰদান কৰিলেও বলিঙেৰে ঘাতক হৈ পৰিছিল দলটো। ফলত বাংগালুৰু টেষ্টৰ দৰেই পুণেতো প্ৰথম ইনিংছত ভাৰত বেটিং বিপৰ্যৰ সন্মুখীন হয়। ঘৰুৱা দলটোৱে মাথো ১৫৬ ৰানতে প্ৰথম ইনিংছ সামৰে। দ্বিতীয় ইনিংছত নিউজিলেণ্ডে ২৫৫ ৰান সংগ্ৰহ কৰি ভাৰতক জয়ৰ বাবে ৩১৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে নিজৰ দ্বিতীয় ইনিংছ মুকলি জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাই যদিও যশস্বী জয়ছোৱাল আৰু ৰবীন্দ্ৰ জাডেজাৰ বাদে আটাইকেইজন বেটাৰ একপ্ৰকাৰ ব্যৰ্থ হয়। যশস্বীয়ে ৭৭ আৰু জাডেজাই ৪২ ৰানৰ অৱদান আগবঢ়ায়। প্ৰথম ইনিংছৰ দৰে দ্বিতীয় ইনিংছতো ঘাতকৰ ভূমিকাত অৱতীৰ্ণ হয় মিশ্বেল ছান্টনাৰ। প্ৰথম ইনিংছত ৭টা উইকেট দখল কৰা ছান্টনাৰে দ্বিতীয় ইনিংছত ৬টা উইকেট আজুৰি লয়। উল্লেখ্য যে ভাৰতৰ স্পিনাৰ সুন্দৰ ৱাশ্বিংটনেও দৰ্শনীয় প্ৰদৰ্শনেৰে দুয়োটা ইনিংছ মিলি ১১টা উইকেট লাভ কৰে। প্লেয়াৰ অব দ্য মেচৰ সন্মান লাভ কৰে মিশ্বেল ছান্টনাৰে। এতিয়া তৃতীয় তথা অন্তিমখন টেষ্ট ১ নৱেম্বৰৰ পৰা মুম্বাইত অনুষ্ঠিত হ'ব।

# কামৰূপ জিলা ভলীত উখুৰা চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা, ২৬ অক্টোবৰঃ** কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত নিজ সেন্দুৰীঘোপা ইউনাইটেড আৰু বঙলাগড় ৰূপজ্যোতি ক্লাবৰ সহযোগত চৌকি আঞ্চলিক হাইস্কুল খেলপথাৰত আজি অনুষ্ঠিত হয় কামৰূপ জিলা আন্তঃক্লাব ভলীবল লীগ। এই লীগত জিলাখনৰ ১২টা ক্লাবৰ ২০০গৰাকী খেলুৱৈ আৰু অফিচিয়েলে অংশগ্ৰহণ কৰে। ল'ৰা-ছোৱালী উভয়ৰ মাজত অনুষ্ঠিত খেলখনৰ পতাকা উত্তোলন কৰে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি জন্মী দাসে। ইপিনে আজিৰ লীগখন শুভ উদ্বোধন কৰি কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক হেমন্ত চৌধুৰীয়ে খেলুৱৈসকলৰ সৈতে মত-বিনিময় কৰে। আনহাতে উক্ত খেলপথাৰতেই অনুষ্ঠিত মিনি ভলীবল প্ৰতিযোগিতাৰ চেম্পিয়ন আৰু ৰাণাৰ্চ আপ দলক ট্ৰফী প্ৰদান কৰে। উল্লেখ্য যে কামৰূপ জিলা ভলীবল লীগৰ পুৰুষ শাখাত উখুৰা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰই চেম্পিয়ন আৰু খোপনিকুছি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰই ৰাণাৰ্চ আপৰ বঁটা লাভ কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ কোষাধক্ষ্য কৰুণা শইকীয়া, জ্যেষ্ঠ যুটীয়া সম্পাদক উত্তম ব্ৰহ্মা, যুটীয়া সম্পাদক ড০ জ্ঞানেন্দ্ৰ নাথ, সন্থাৰ ভলীবল সম্পাদক জাকিৰ হুছেইন আৰু আয়োজক সমিতিৰ ভূপেন দাসৰ লগতে বহু ব্যক্তি উপস্থিত থাকে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)